চান্দমামা

নভেমবাৰ ১৯৯৩



নাৱে কৰে টুলুংভুটুং বঠাই বোলে কি ? পিকনিকৰ আচল মজা আনে যি।

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/171-as



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ'প্লাচ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া পার্টুছিচ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।



গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

Karishma/SW/6/2016 AS D

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপাপানি মাদ্ৰাজ-৬০০-০২৬

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

আমেৰিকাতো অনাখৰী !

মহাত্মা গাঁধীয়ে (গান্ধী) বেৰিস্টাৰি পাচ্ কৰি দক্ষিণ আফ্ৰিকাতে বেৰিস্টাৰি কৰিছিল, ভাৰতত নহয়। এনেকৈয়েই, আজিও অসংখ্য ভাৰতীয় মস্তিষ্কৱানে বিদেশলৈ গৈ, যাইকৈ ইংল্যাণ্ড-আমেৰিকালৈ উচ্চশিক্ষা ল'বলৈ গৈ, তাতেই থাকি যায়, নিজ দেশলৈ নোভতা হয়। এই অৱস্থাক ইংৰাজিত 'ব্ৰেইন ড্ৰেইন' বোলে। নিজৰ দেশৰ 'মস্তিষ্ক'ক আনৰ দেশৰ উন্নতিৰ অৰ্থে প্ৰযুক্ত হোৱা বন্ধ কৰাৰ চেষ্টা চলিছে, কিন্তু ব্যক্তি-স্বাধীনতাৰ কাৰণে সফল হোৱা নাই।

এই ক্ষেত্ৰত আমেৰিকাৰ প্ৰলোভনেই সৰ্বাধিক। ইংল্যাণ্ড আৰু অন্যান্য কিছুমান পচিমীয়া দেশৰ প্ৰলোভনও নথকা নহয়।

সম্প্ৰতি আমেৰিকা সম্পৰ্কে কিছুমান উদ্বেগজনক সংবাদ আহিছে, যি-সংবাদ অতি অবিশ্বাস্য যেন লাগিলেও একেবাৰে সঁচেকাটে সঁচা। সংবাদত কোৱা হৈছে যে—আমেৰিকাৰ ১৯১,০০০,০০০ সাৱালকৰ মাজত ৯০,০০০,০০০ সাৱালকেই ব্যুৎপত্তিৰ প্ৰাথমিক পাঁচ ঢাপতকৈ দুঢাপ তলত ! ইহঁতৰ শিক্ষা-গত যোগ্যতা ইমানেই 'তলখাপৰ' যে ইহঁতে আনকি এখন সাধাৰণ 'ফৰ্ম'ও লিখি ভৰাব নোৱাৰে !

হওঁতে, আমাৰ আমেৰিকীয় ভ্ৰাতৃবৰ্গৰ প্ৰায় আধাখিনিমানেই 'অনাখৰী' ! ভাৰতে যেতিয়া বিভিন্নভাবে নিৰক্ষৰতা দূৰীকৰণৰ বাবে কঁকাল বান্ধি লাগিছে, যেতিয়া 'মই শিকিম—তোমাক শিকাম' আঁচনি লৈছে, তেতিয়া আমেৰিকাৰ এই অৱস্থা !

হুজ-লৰা আমেৰিকাই আমাৰপৰা হনা লওক।

বছৰ : ১৮   নভেম্বৰ ১৯৯৩   সংখ্যা : ৮

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা

আহাঁ হ'বা
বাৰ্বীৰ
ড্ৰেচ
ডিজাইনাৰ
Barbie
FROM
প্ৰতিজনী পুতলাৰ সপোন ফলিয়ায়।
HTA.1317.94

পৃথিৱীৰ খিৰিকীৰে :

কিউবাত কি যে কাণ্ড !

কিউবাৰ বিপ্লৱৰ বয়স বিগত ২৬ জুলাইৰ দিনা চল্লিছ বছৰ পূৰিল। তথাপি দেশখনৰ আৰ্থিক পৰিস্থিতি নিৰাশাব্যঞ্জক তথা সংকটময়। সেই কাৰণে, এইবাৰ আগৰ দৰে সমাৰোহৰে বিপ্লৱৰ বাৰ্ষিকী উদ্‌যাপিত হোৱা নাছিল! চল্লিছ বছৰৰ আগতে কিছুমান বিপ্লৱীক লগত লৈ ফিদেল ক্যাস্ত্রো নামৰ যুৱা উকীল এজনে কিউবাত বৈপ্লৱিক প্ৰচেষ্টা চলাইছিল, কিন্তু সমূলি ব্যৰ্থ হৈছিল। তেতিয়া কিউবাত স্বেচ্ছাচাৰী বাতিস্তাৰ শাসনকাল। সেই বৈপ্লৱিক প্ৰচেষ্টাত অসংখ্য সাহসী যুৱক নিহত হৈছিল আৰু ফিদেল ক্যাস্ত্রোক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ভৰাই থোৱা হৈছিল। তিনি বছৰৰ অন্তত ফিদেলে পুনৰ এবাৰ দ্বিতীয়বাৰৰ বাবে কিউবাত বিপ্লৱৰ অৰ্থাৎ সমাজ-পৰিৱৰ্তনৰ চেষ্টা কৰিছিল আৰু সেইবাৰো ব্যৰ্থতাকে বৰণ কৰিবলগা হৈছিল। ১৯৫১ চনৰ জানুৱাৰিত ১ তাৰিখে তেওঁ তৃতীয়বাৰৰ বাবে বিপ্লৱৰ যোগেদি বাতিস্তাৰ পতন তথা কিউবাৰ ৰাষ্ট্ৰশক্তি অধিকাৰৰ চেষ্টা চলাইছিল আৰু এইবাৰ তেওঁৰ প্ৰচেষ্টা সফল হৈছিল। আৰু এই সাফল্যৰ অনিবাৰ্য্য পৰিণতিত স্বেচ্ছাচাৰী বাতিস্তাই প্ৰাণ-ৰক্ষাৰ্থে দেশ এৰি বিদেশলৈ পলাই গৈছিল।



ফিদেল ক্যাস্ত্রোই কিউবাত সমাজবাদী শাসনৰ প্ৰতিষ্ঠা কৰিলে। তাৰ ফলত আমেৰিকাৰ সৈতে কিউবাৰ সম্পৰ্ক ছিন্ন হ'ল। যি আমেৰিকাই বাতিস্তাৰ আমোলত স্বেচ্ছাচাৰী বাতিস্তাৰ যোগে একপ্ৰকাৰে কিউবাত শাসন চলাইছিল, তাৰ ছেদ পৰিল। ১৯৬০ চনত ক্যাস্ত্রোই কোনো প্ৰকাৰৰ ক্ষতিপূৰণ নিদিয়াকৈয়েই কিউবাত থকা আমেৰিকীয় ব্যৱসায়িক তথা শিল্প-প্ৰতিষ্ঠানসমূহক ৰাষ্ট্ৰায়ত্ত কৰাত আমেৰিকাই কিউবা আক্ৰমণ কৰিলে, কিন্তু আমেৰিকাৰ এই যুদ্ধ-প্ৰচেষ্টা ফলৱতী নহ'ল।

তাৰপাছত ক্যাস্ত্রোই কিউবাক সাম্যবাদী দেশৰূপে ঘোষণা কৰিলে। তেওঁ কিউবাত সাম্যবাদী দেশসমূহৰ আৰ্থিক পদ্ধতিৰো প্ৰৱৰ্তন কৰা হ'ল। কিউবাত মাত্ৰ এটা ৰাজনৈতিক দল আছিল। এই দলটোৰ নতুন নামকৰণ কৰা হ'ল 'কম্যুনিস্ট পাৰ্টি'। ১৯৭৬ চনত ক্যাস্ত্রো কিউবাৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল আৰু ১৯৮২ চনলৈকে তেওঁ এই দায়িত্ব একাগ্ৰ চিতেৰে তথা অপাৰ ধৈৰ্য্যৰে পালন কৰিলে।

কোৱা হয় যে—১৪৯২ চনত খ্ৰিস্টোফাৰ কোলম্বাছ আমেৰিকা নামৰ ভূখণ্ডত পদাৰ্পণৰ দিনৰেপৰাই

আমেৰিকা স্পেনৰ অধীনস্থ হৈ পৰিছিল। ১৮৯৮ চনত স্পেন আৰু আমেৰিকাৰ মাজত সংঘটিত
যুদ্ধত স্পেন পৰাজিত হ'ল আৰু তেতিয়া কিউবাক আমেৰিকাই অধিকাৰ কৰিলে, এই ঘটনাৰ তিনি
বছৰৰ অন্তত ১৯০২ চনত কিউবা স্বতন্ত্ৰ হ'ল, কিন্তু কিউবাৰ বৈদেশিক-নীতিৰ নিয়ামক তেতিয়াও
আছিল আমেৰিকা। ১৯৩৩ চনত স্বেচ্ছাচাৰী বাতিস্তাই কিউবা অধিকাৰ কৰিছিল। ১৯৪৪-ৰ
পৰা ১৯৫২ চনলৈকে বাদ দিলে—১৯৫৯ চনলৈকে বাতিস্তাৰ স্বেচ্ছাচাৰ কিউবাত চলি আছিল।
১৯৫৯ বপৰা, অৰ্থাৎ যেতিয়াৰপৰা ফিদেল ক্যাস্ত্ৰো কিউবাৰ প্ৰধান, তেতিয়াৰপৰা কেইবছৰমান-
কিউবাই ছোভিয়েতৰপৰা সাহায্য-সহযোগ প্ৰাপ্ত হৈছিল। এই সময়ছোৱাত পূৰ্ব ইঅ'ৰোপীয়
দেশসমূহৰপৰাও কিউবাই যথেষ্ট সহায়তা লাভ কৰিছিল। সম্প্ৰতে, যেতিয়া কম্যুনিস্ট দেশসমূহৰ
পতন হ'ল, ছোভিয়েত
ইউনিয়ন ছিন্নভিন্ন হ'ল,
তেতিয়াৰপৰা কিউবাৰো
আৰ্থিক অৱনতিৰ সূত্ৰ-
পাত। কোলম্বিয়া আৰু
আৰ্জেণ্টাইন-লাতিন
আমেৰিকীয় ফেডাৰেশ্যনৰ
সদস্য। এইবোৰ দেশ
কিউবাৰ মিত্ৰদেশ। এওঁ-
লোকে কিউবাক পুনৰ
আমেৰিকাৰ লৈতে ৰাষ্ট্ৰীয়
সম্পৰ্ক গঢ়ি তুলিবলৈ
পৰামৰ্শ আগ বঢ়াইছে।
তেওঁলোকৰ আশা,
তেতিয়া, আমেৰিকাই
কিউবাৰ ওপৰত আৰোপ

কৰা দণ্ড প্ৰত্যাহাৰ কৰিব। কিন্তু ক্যাস্ত্ৰোই সুস্পষ্ট ভাষাৰে কৈছে যে—আমেৰিকা উদ্যোগী হ'লে
সম্পৰ্কৰ পুনঃপ্ৰতিষ্ঠা সম্ভৱ। কিন্তু কোনো অৱস্থাতেই কিউবাই তাৰ নিজৰ দেশৰ সাম্যবাদী নীতিক
প্ৰত্যাহাৰ নকৰিব।

১৯৯৩ চনত কিউবাত অনুষ্ঠিত নিৰ্বাচনত কিউবাৰ ন্যাশ্যনাল অ্যাছেম্বলিৰ ৯৯ শতাংশ ভোট পাই ক্যাস্ত্ৰোৰ পাৰ্টি বিজয়ী হ'ল। এই উপলক্ষ্যে ৬৬ বছৰীয়া ক্যাস্ত্ৰোই তেওঁৰ ভাষণত ক'লে, "পুনৰ পাঁচ বছৰ বাদে আমাৰ জনসাধাৰণে দেশৰ দায়িত্ব মোক কঢ়িয়াবলৈ নক'ব বুলিয়েই মই আশা কৰিম।"

কিউবা হ'ল সাম্যবাদী শাসন চলাই থকা চীন বা ভিয়েতনামৰ দৰে এখন দেশ। ভিয়েতনামৰ জনসাধাৰণে কিউবালৈ প্ৰচুৰ পৰিমাণে চাউল প্ৰেৰণ কৰি কিউবাৰ দুঃসময়ত সহায়ৰ হস্ত প্ৰসাৰিত কৰিছে আৰু এই সহায়তাৰ প্ৰবাহ এতিয়াও বিভিন্ন সহায়তাৰে সমভাবে চলায়েই আছে।

সমাজৰ সততা

প্লবংগ দেশৰ ৰজা অনংগদেৱৰ অকস্মাৎ মৃত্যু হোৱাত দেশৰ আপামৰ প্ৰজা যেনিবা পিতৃহীন হৈ পৰিল। মহাৰাজ অনংগদেৱৰ ককায়েক লৱংগদেৱ তেতিয়া তেওঁৰ গুৰুদেৱ শান্তশীলৰ অৰণ্যাশ্ৰমত। যদিও বয়সত আছিল জ্যেষ্ঠ, তথাপি, লৱংগদেৱৰ অন্তৰত দেশৰ ৰজা হোৱাৰ ইচ্ছা সমূলি নাছিল, আৰু সেইহে তেওঁ নিভৃত আধ্যাত্মিক জীৱন যাপিবলৈ ৰাজত্বৰ মোহ পৰিত্যাগ কৰি অৰণ্যবাসী হৈছিল।

মহাৰাজ অনংগদেৱৰ সুযোগ্য মহামন্ত্ৰী মাতংগসেনে সুগভীৰ চিন্তা কৰাৰ অন্তত মহাৰাণী ইন্দুমতীৰ সৈতে দীৰ্ঘ পৰামৰ্শ কৰি স্বয়ং শান্তশীলৰ অৰণ্যাশ্ৰমলৈ যাত্ৰা কৰিলে। মহামন্ত্ৰীয়ে লৱংগদেৱক বুজাই-বৰাই ৰাজত্ব কৰাৰ বাবে সন্মত কৰিব।

মহামন্ত্ৰী মাতংগসেনৰ প্ৰস্তাৱ শুনি লৱংগদেৱে তেওঁক ক'লে, "শুনক, মোৰ মাজত ৰাজত্বৰ আকাংক্ষা একেবাৰেই নাই। দেশ-শাসনৰ ইচ্ছা বা অভিজ্ঞতাও মোৰ নাই। আৰু—ইহলোকৰ কোনো সুখলৈকো মোৰ আকৰ্ষণ নাই। তদুপৰি, মই ৰাজত্ব তথা ৰাজ্য-শাসনৰ জৰীডাল হাতত লোৱাৰ লগে লগে ইন্দুমতীৰ এই আশংকা উপস্থিত হ'ব পাৰে যে—তেওঁৰ নাবালক পুত্ৰৰ ভৱিষ্যতৰ পথত মইহে কণ্টক। গতিকে—"

তাৰ পাছত, মহামন্ত্ৰী মাতংগৰপৰা এই বিবৰণ শুনি স্বয়ং মহাৰাণী ইন্দুমতী অৰণ্যাশ্ৰমলৈ আহিল, আৰু লৱংগদেৱক দেশৰ বৰ্তমান অৱস্থা বুজাই কোৱাৰ অন্তত তেওঁৰ সহায়তা প্ৰাৰ্থনা কৰিলে। মহাৰাণী

'সদানন্দ'

ইন্দুমতীয়ে লৰংগদেৱক ক'লে, "যদি মোৰ পুত্ৰৰ আৰু দেশখনৰ মংগলৰ কথা ভাবে, তেনেহ'লে, দেশ-শাসনৰ দায়িত্ব লওক। নহ'লে আমাৰ এই কৰ্ণধাৰহীন দেশ—আন কোনোবা ৰজাই নিশ্চয় অধিকাৰ কৰি ল'ব।"

ইন্দুমতীৰ কথা শুনি লৰংগদেৱে আৰু 'নহয়, নাযাওঁ' বুলি ক'ব নোৱাৰিলে। তাৰ পাছত লৰংগদেৱে তেওঁৰ গুৰুদেৱ শান্তশীলৰপৰা এই বিষয়ে দিহা-পৰামৰ্শ তথা উপদেশ প্ৰাৰ্থনা কৰাত সাধু শান্তশীলে লৰংগদেৱক ক'লে, "তুমি যথাৰ্থ জ্ঞানী যোগীপুৰুষ, তুমি নিঃস্বাৰ্থী, জাগতিক সুখৰ মোহও তোমাৰ মাজত দেখা নাই। কিন্তু—দেশৰ অন্যতম নাগৰিক হিচাপে হ'লেও দেশৰ প্ৰতি তোমাৰ কিঞ্চিত কৰ্তব্য নথকা নহয়। সেই কৰ্তব্য যথাযথভাবে সমাপন কৰি পুনৰ ইয়ালৈ আহিবা। ইতিমধ্যে তোমাৰ নাবালক ভ্ৰাতুষ্পুত্ৰক সমাজনীতি, ৰাজনীতি আদিৰে শিক্ষিত কৰি তাক ৰাজত্ব চলোৱাৰ যোগ্য কৰি তুলিবা।"

অতঃপৰ, গুৰুদেৱক সাষ্টাংগে প্ৰণাম কৰি, তেওঁৰ শুভ আশীৰ্বাদ লৈ লৰংগদেৱ ৰাজধানীলৈ গ'ল আৰু ৰাজত্বৰ পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিলে। আশ্ৰমী ৰজা হ'ল।

ৰজা লৰংগদেৱে তেওঁৰ মন্ত্ৰীবৰ্গৰ সৈতে ৰাজ্যৰ পৰিস্থিতিৰ বিষয়ে বিস্তৃত আলোচনা-বিলোচনাৰ অন্তত মহাৰাণী ইন্দুমতীৰ সৈতেও আলোচনা কৰিলে।

ইন্দুমতীয়ে লৰংগদেৱক ক'লে, "আমাৰ দেউতাই সৰুৰেপৰাই আমাক কিছু কিছু ৰাজনীতিৰ শিক্ষা দিছিল। কিন্তু মোৰ কোনো পৰামৰ্শ কোনোদিনেই—স্বৰ্গী মহাৰাজে গ্ৰহণ কৰা নাছিল। আপুনি মোৰ বুদ্ধি-বৃত্তিকো যৎকিঞ্চিত মূল্য দিয়াত মই আপোনাৰ ওচৰত কৃতজ্ঞ।"

লৰংগদেৱে বুদ্ধিমতী ইন্দুমতীৰ সহযোগত অতি দক্ষতাৰে দেশ-শাসন কৰিবলৈ ধৰিলে। স্বৰ্গী মহাৰাজ অনংগদেৱৰ

মইমতীয়া শাসনৰ সুকঙাইদি ঠন ধৰি উঠা আৰু পাছত তেওঁৰ মৃত্যুৰ অন্তত শাসনৰ সৰ্বস্তৰতে বিয়পি পৰা ভ্ৰষ্টাচাৰক ন-ৰজা লৰংগদেৱে দক্ষতাৰে দমন কৰিব পাৰিলে। তেওঁ তেওঁৰ ভ্ৰাতৃ-পুত্ৰ নাবালক সংঘমিত্ৰকো বিভিন্ন বিদ্যাৰে সৈতে বিশেষভাবে ৰাজনীতিৰ শিক্ষা দি থাকিল। নাবালক সংঘমিত্ৰয়ো অতি যোগ্যতাৰে বিভিন্ন বিদ্যা আয়ত্ত কৰি ৰাজ্য-শাসনৰ যোগ্যতা আৰ্জিবলৈ ধৰিলে।

এদিন লৰংগদেৱে ইন্দুমতীক ক'লে, "সংঘমিত্ৰ ইতিমধ্যেই ৰাজ্য-শাসনৰ বাবে যথেষ্ট যোগ্য হৈ উঠিল। তাৰ ষোড়শ বয়ঃক্ৰমতে ৰাজ্যাভিষেক কৰাৰ অন্তত মই পুনৰ মোৰ আশ্ৰম-জীৱনলৈ উভতি যাব পাৰোঁ। তোমাৰ যোগ্য সহায়তাৰে আৰু তাৰ বুদ্ধিমত্তা তথা সৰ্ববিষয়ত দক্ষতাৰে— যথেষ্ট বয়ঃপ্ৰাপ্ত নোহোৱা সত্বেও—সি অনায়াসে ৰাজ্য-শাসনৰ দায়িত্ব কঢ়িয়াব পাৰিব বুলি মোৰ ধাৰণা হৈছে।"

কিন্তু ইন্দুমতীয়ে এই প্ৰস্তাৱত আপত্তি দৰ্শাই ক'লে, "এয়া—এক অসম্ভৱ প্ৰস্তাৱ। সি কমেও বিছ বছৰীয়া নোহোৱালৈকে আপুনিয়েই ৰাজ্য-শাসনৰ পৰিপূৰ্ণ দায়িত্ব কঢ়িয়াব লাগিব। এতিয়াই অনভিজ্ঞ-অপটু হাতত শাসনৰ বাঘজৰী দিলে সেই জৰীডাল ছিঙি যাব, ৰাজ্য ছাৰেখাৰে যাব।" ইন্দুমতীৰ দুগাল তিয়াই চকুলো নামি আহিল আৰু বিব্ৰত-বিভ্ৰান্ত লৰংগদেৱে ইন্দুমতীক সান্ত্বনা দিয়াৰ উপৰিও তেওঁ এতিয়াই আশ্ৰমলৈ প্ৰত্যাৱৰ্তন নকৰিব বুলি পৰিপূৰ্ণ আশ্বাসো দিবলগীয়া হ'ল।

এইদৰে, চাওঁতে চাওঁতে প্ৰায় পাঁচ বছৰ কাল পাৰ হৈ গ'ল। লৰংগদেৱৰ ৰাজত্বকালত দেশত সামান্যতম ভ্ৰষ্টাচাৰ তথা দুৰ্নীতিয়ে ৰাহ সাজিব পৰা নাছিল। এগৰাকী আশ্ৰমীৰ ৰাজত্বত প্ৰজাবৰ্গ আছিল মহাৰাজ অনংগদেৱৰ শাসন-

কালতকৈ বহুগুণে সুখী আৰু শান্তিময়।

পাঁচ বছৰৰ অন্তত, এদিন লৰংগদেৱৰ গুৰুদেৱ শান্তশীলা ৰাজধানীলৈ আহিল। গুৰুদেৱ শান্তশীল সাধুৱে লৰংগদেৱক ক'লে, "মই এতিয়া অশীতিপৰ বৃদ্ধ হ'লোঁ, এতিয়া আশ্ৰমৰ পূৰ্ণদায়িত্ব তুমিয়েই ল'ব লাগিব। মই তোমাৰ হাতত আশ্ৰমৰ দায়িত্ব প্ৰদান কৰি হিমালয়লৈ—মহাপ্ৰস্থানলৈ যাবলৈ বাঞ্চা কৰিছোঁ, বোপা।"

যোৱা পাঁচ বছৰকালত, মনৰ অজ্ঞাতে হ'লেও, লৰংগদেৱৰ মনত ৰাজত্ব কৰাৰ মোহ একেবাৰে নোপজাকৈ নাছিল। গতিকে—তেওঁ তেওঁৰ গুৰুদেৱক পোনে পোনেই একো উত্তৰ নিদিয়াকৈ গুৰুদেৱক ইন্দুমতীৰ ওচৰলৈ লৈ গ'ল। ইন্দুমতীয়ে সাধু শান্তশীলৰ কথাখিনি শুনিয়েই তেওঁৰ চৰণত দীঘল দি পৰিল আৰু কৰযোৰে ক'লে, "হে মহাত্মা, এওঁক আপুনি লৈ নাযাব, তেতিয়া আমাৰ ৰাজ্য অৰাজক হৈ উঠিব, সকলো ছিন্নভিন্ন হৈ যাব, আৰু এই ৰাজ্যৰ নাম চিৰতৰে বিলুপ্ত হ'ব।" এই বুলি কৈয়েই ইন্দুমতী গুচি গ'ল।

লৰংগদেৱেও ইন্দুমতীৰ এই কথাৰ সামান্যতম প্ৰতিবাদো নকৰাত সাধু শান্তশীলে লৰংগদেৱক মৃদুকণ্ঠেৰে ক'লে, "তুমি জ্ঞানী হৈয়ো মোহ-জালত আবদ্ধ হৈ পৰিলা, অ-শাশ্বতৰ কাৰণে শাশ্বতক পাহৰিলা। তুমি গভীৰভাবে চিন্তা কৰি চোৱা। মই তোমাক এমাহলৈ সময় দিছোঁ। যদি আশ্ৰম-জীৱনলৈ তোমাৰ প্ৰকৃত আকৰ্ষণ আছে, এই এমাহৰ ভিতৰতে উভতি আহিবা।" এই বুলি কোৱাৰ অন্তত সাধু শান্তশীল তাৰপৰা গুচি গ'ল আৰু দোধোৰ-মোৰত পৰা লৰংগদেৱ গভীৰ চিন্তাত আচ্ছন্ন হ'ল।

এই ঘটনাৰ সাত দিনৰ পাছত ৰাজকীয় ধন-ভঁৰালৰপৰা ধন-সোণ চুৰি কৰিবলৈ গৈ হাতে-লুটে চোৰ এটা ধৰা পৰিল। চোৰটো সাধাৰণ চোৰ নাছিল,

সি আছিল ৰজা লৰংগদেৱৰ মন্ত্রিমণ্ডলীৰ অন্যতম মন্ত্রী দীনবন্ধুৰ পুত্ৰ।

লৰংগ-ৰজাৰ ৰাজত্বত দুৰ্নীতিৰ কোনো স্থান নাই। হওক মন্ত্রীপুত্র, অপৰাধৰ যথাযোগ্য দণ্ড দিয়া হ'ব। ন্যায়াধীশে মন্ত্রীপুত্রক তাৰ এনে ৰাজদ্রোহমূলক অপৰাধৰ বাবে মৃত্যুদণ্ড প্রদান কৰিলে।

এই দণ্ড ঘোষিত হোৱাত ক্রুদ্ধ মন্ত্রী দীনবন্ধুৱে ন্যায়াধীশক ক'লে, "তোমাৰ মাজত ন্যায়াধীশৰ যোগ্যতা কিডাল আছেহে? প্রতি বছৰতেই তোমাক একলাখ মুদ্রা বৰছিছ দিব লাগে যে—কথাটো পাহৰিলাইনে কি? হেঁঃ, নমো নমো পাৰিজাত ন্যায়াধীশটো আহিছা বৰ, আমাৰ ন-ৰজাই তোমাৰ ন্যায়বিচাৰত লাগিব ঠৰ।"

ন্যায়াধীশে মন্ত্রী দীনবন্ধুক ভৰ্ৎসনা কৰি ক'লে, "মুখৰ বাটেদি যি খুছী তাকেই উলিয়াইছা যে—তাৰ পৰিণাম জানানে?"

"কিনো পৰিণামৰ ভৰ দেখুৱাইছাহে?" মন্ত্রী দীনবন্ধুৱে বুকু ফিন্দাই ক'লে, "মোৰ মৰমৰ ল'ৰাটোক মৃত্যুদণ্ড দিয়াৰ দাঁত—তোমাৰ নালাগে—ৰজাৰো হ'বনে? এই কামৰ বুদ্ধিদাতা গণেশ যে স্বয়ং ৰজা—জানানে তুমি এই নাদৰ ভেকুলী ন্যায়াধীশটো? এজন সং প্রহৰীয়ে



আমাৰ এই ক'দৰন্তী চুৰিক যে ধৰা পেলালে—ই আমাৰ দুৰ্ভাগ্য মাথোন।"

ন্যায়ালয়ত উপস্থিত থকা মহামন্ত্রী মাতংগসেনে মন্ত্রী দীনবন্ধুক সুধিলে, "ৰাজকীয় ধন-ভঁৰালৰপৰা কোনোবা ৰজাই ধন-সোণ চুৰি কৰাৰ আৱশ্যকতা কি?"

দীনবন্ধুৱে অবিচলিতভাবে উত্তৰ দিলে, "আৱশ্যকতা বিনে কোনো কাৰ্য্য নহয়। ইমান দিন ধৰি এটা বিশেষ ৰহস্যৰ কথা অজ্ঞাত আছিল যে—আমাৰ বৰ্তমান ৰজা লৰংগদেৱৰ এগৰাকী পত্নী আৰু পুত্র এটিও সেই অৰণ্যাশ্রমতে আছে। নিজৰ পুত্রক ৰজা কৰাৰ মন কাৰনো নাই?

তেওঁৰো আছে। আৰু—সেই দেখি তেওঁ ফন্দিয়কে ফন্দি এটি পাঙিছে যে—জোখে-জোখাৰে ধন-সোণ গোটাই, সেই ধনেৰে জংগলৰ মাজতে তেওঁ নিজাকৈ তেওঁৰ সৈন্যবাহিনী গঢ়ি তুলিব, আৰু এদিন আচম্বিতে এই প্লবংগ ৰাজ্য অধিকাৰ কৰি মহাৰাণী ইন্দুমতীক সপুত্ৰ হত্যা কৰিব, মই একান্ত বাধ্যত পৰি লৱংগদেৱৰ এনে ঘৃণ্য হীন চক্ৰান্তত সহায়তা কৰিছোঁ।

এনে ভয়াবহ ষড়যন্ত্ৰ উদ্‌ঘাটিত হোৱাত ইন্দুমতীয়ে ৰজা লৱংগদেৱক ক'লে, "যদি এই অভিযোগ মিছা বুলি প্ৰতিপন্ন কৰিব নোৱাৰে, নিজক নিৰ্দোষী বুলি প্ৰতিপন্ন কৰিব নোৱাৰে, এই মুহূৰ্ততে এই ৰাজ্য এৰি গুচি যাওক।"

"মাত্ৰ এটা চৰ্তত মই এতিয়াই ৰাজ্য পৰিত্যাগ কৰি গুচি যাব পাৰোঁ— মোৰ এই নাটকত অংশগ্ৰহণকাৰী দীনবন্ধুক, বা তাৰ পুতেককো দণ্ডৰপৰা ৰেহাই দিব লাগিব।"

লৱংগদেৱৰ এই কথাৰ উত্তৰত অবাক হৈ পৰা ইন্দুমতীয়ে সুধিলে, "এই নাটকৰ আৱশ্যকতা কি আছিল?"

"সততাৰ কিমান দাম—সৎ হৈ থকাৰ কি পৰিণাম—তাৰ হিচাপ ল'বলৈহে মই এইখন নাটকৰ পাতনি তৰিছিলোঁ।"

"হিচাপত কি পালে?"

"হিচাপত পালোঁ—আজিৰ মানৱ-সমাজত সৎ মানুহতকৈ চোৰৰ কৌশলী কথাৰ মূল্য ঢেৰ বেছি। দীনবন্ধুৰ পুত্ৰ চোৰ নহয়, ভাৰবীয়াহে; কিন্তু সঁচাসঁচিকৈ চোৰ এটাই, বা চোৰৰ বাপেকীয়ে তেনেকৈ কোৱাহেঁতেন, মহাৰাণীয়ে, বা ৰাইজেও মোক ষড়যন্ত্ৰকাৰী বুলিহে নিশ্চয় সন্দেহ কৰিলেহেঁতেন। সমাজৰ অধিকভাগ সৎ নহ'লে এজন বা দুজনৰ সৎ আচৰণে বিশেষ একো গুণ নিদিয়ে।"

এই বুলি কৈ লৱংগদেৱে তেতিয়াই এক বস্ত্ৰে আশ্ৰমলৈ বুলি খোজ ল'লে।

অভিশপ্ত পুষ্প

৬

[আগৰ কথা : সমুদ্ৰী-ৰাক্ষসৰ অত্যাচাৰৰপৰা মাণিক্যপুৰী ৰাজ্যৰ প্ৰজাবৰ্গক ৰক্ষা কৰাৰ উদ্দেশ্যেৰে—তংখুল উপজাতিৰ উত্তুংগ থতা উ তুং নামৰ সাহসী যুৱকৰ সহায়তা বিচাৰি স্বয়ং ৰজা প্ৰতাপ বৰ্মা তংখুল উপজাতিৰ বাসস্থান মায়ং পৰ্বতলৈ গ'ল। মাণিক্যপুৰীৰ বিপদাপন্ন ৰজা প্ৰতাপবৰ্মাদেৱৰপৰা ভয়ংকৰ সমুদ্ৰী-ৰাক্ষসৰ ভয়াবহ অত্যাচাৰৰ কথা শুনি আৰু ৰজাই এই বিষয়ে তংখুলহঁতৰ তথা উ তুঙৰপৰা সহায় বিচাৰত তংখুল-চৰ্দাৰে এক কথাত ৰজা প্ৰতাপবৰ্মাদেৱলৈ সহায়তাৰ হস্ত প্ৰসাৰিত কৰিলে। আৰু তাৰ পাছত···]

তংখুল-চৰ্দাৰ খাস্বাৰ তথা তংখুল উপজাতিৰ লোকসকলৰ মনতো তেতিয়া আনন্দই নধৰা হ'ল, যেতিয়া দেশৰ ৰজা আৰু ৰাজ-কুঁৱৰী সিহঁতৰ বাসভূমিলৈ আহিল আৰু চিৰদিন-চিৰকাল অৱহেলিত-অবজ্ঞাত হৈ থকা তংখুলহঁতৰপৰা সহায় বিচৰা হ'ল। তংখুল-চৰ্দাৰে তংখুল-যুৱক উ তুঙক যেতিয়া স্বয়ং মহাৰাজে মহান দেশ মাণিক্যপুৰীৰ ৰজাৰ তথা ৰাজ্যৰ ভয়ংকৰ বিপদৰ কথা তথা সেই ভয়ংকৰ জলজন্তু অৰ্থাৎ সমুদ্ৰী-ৰাক্ষসৰ কথা বুজাই ক'লে, তেতিয়াই সাহিয়ালৰো সাহিয়াল উ তুং সন্মত হ'ল সমুদ্ৰী-ৰাক্ষসটোক যেনেতেনে দেশৰ সীমাৰপৰ খেদি দূৰতে বিদূৰ কৰাৰ বাবে। পূৰ্ণ আশ্বাস ৰজাক দিলে উ তুঙে আৰু গুৰুদায়িত্বপূৰ্ণ কামটো নিজৰ কান্ধত ল'লে।



ভয়ানক সমুদ্ৰী-ৰাক্ষসটো শতাব্দিকা নামৰ বিচিত্ৰ ফুল বিচাৰি আনকি আমাৰ ইয়ালৈকো ওলাবহি পাৰে।" এই কথা-খোৱাৰ অন্তত ক্ষন্তেকমান মৌন হৈ থাকি চৰ্দাৰ খাম্বাই পুনৰ ক'লে, "কিন্তু— নাও কোনে সাজিব?"

জনতাৰ মাজৰপৰা তুজন তংখুল ভিৰ ফালি আগুৱাই আহিল আৰু ক'লে, "আমি কিছু দিন—মানে—কেইবছৰমান সমুদ্ৰৰ পাৰত বসবাস কৰিছিলোঁ। তেতিয়া আমি নাও সজাৰ কামও শিকিছিলোঁ আৰু সেই কামেৰেই পেট প্ৰবৰ্তাইছিলোঁ। আমি নাও সাজি দিব পাৰিম।"

"কিমান দিন ল'ৰা নাও এখন সাজিবলৈ?" চৰ্দাৰে সুধিলে।

"তিনি দিনতে হৈ যাব।"

চৰ্দাৰে এইবাৰ ক'লে, "শতাব্দিকা পুষ্প বুটলি আনিবলৈ আমাৰ উ তুঙৰ লগত কোন যাবা—হাত দাঙা।"

একেলগে প্ৰায় সকলোটিয়েই হাত দাঙিলে। তেতিয়া তংখুল-চৰ্দাৰে ক'লে, "এই কামত উ তুঙৰ সৈতে মাত্ৰ ছজন ডেকা-ল'ৰাক লাগে। —উ তুং, তুমি কাক কাক ল'বা—লৈ লোৱা।"

উ তুঙে ছজন যুৱকক বাছি ল'লে

তংখুল-চৰ্দাৰে তাত গোটখোৱা তংখুল বিলাকক সম্বোধি ক'লে, "শতাব্দিকা থকা আমাৰ বাসভূমিত ফুলা বিচিত্ৰ পুষ্পৰ জনমভূমি ক'ত—উ তুঙে উত্তম-ৰূপে জানে। কালিলৈ ধলপুৱাতে আমাৰ আন ছজনমান ডেকা উ তুঙৰ সৈতে সেই ফুল বুটলিবলৈ সেই বিশাল ফুলনিলৈ যাব আৰু জোখে-জোখাৰে ফুল বুটলি আনিব। এই ফুল কোনোবা এঠাইত দ'মাই থৈ দিব লাগিব, আৰু ৰাতিৰ পৰতে সেই ফুলৰ দ'মটো পৰ দি থাকিব লাগিব। কিয়নো—মহাৰাজৰ কথাৰপৰা যিমান দূৰ জনা আৰু বুজা গৈছে—

আৰু তাৰ পাছত তাত উপস্থিত থকা বয়সিয়াল তংখুল লোকসকলতৈ হাতযোৰ কৰি নমস্কাৰ কৰিলে। বুঢ়া-মেথাসকলে সাহিয়াল ডেকা উ তুঙক আশীৰ্বাদ কৰিলে আৰু চৰ্দাৰে উ তুঙৰ পিঠিত থপৰিয়াই এই অভিযানলৈ উৎসাহ দিলে।

পাছদিনা ধলপুৱাতে সেই ছজনক লগত লৈ উ তুং আগবাঢ়িল বহু দূৰস্থ বিচিত্ৰ ফুলৰ ফুলনিলৈ। গৈ গৈ সিহঁতে যেতিয়া চাৰিফালে সৰু-বৰ পাহাৰেৰে আগুৰা বিচিত্ৰ ফুলৰ বিশাল ফুলনি পালেগৈ, তেতিয়া সিহঁতৰ মূৰৰ ওপৰত বেলিয়ে খাওঁ খাওঁ মূৰ্তি ধৰিছে। সময় নষ্ট নকৰি সিহঁতে কুঠাৰেৰে ঠাৰি কাটি কাটি বিচিত্ৰ শতাব্দিকা ফুল বোটলাৰ কামত লাগি গ'ল। যেতিয়া ফুল বোটলাৰ কাম সমাপ্ত হ'ল, তেতিয়া বেলিয়ে লাহ দিছে। সিহঁতে বুটলি অনা ফুলখিনি ভালকৈ বান্ধি লৈ সিহঁতে পুনৰ উভতি খোজ ল'লে।

বহুতো পৰলৈকে খোজ কাঢ়ি কাঢ়ি ভাগৰি-জুগৰি যেতিয়া উ তুং আৰু তাৰ ছয় লগৰীয়াই বসতি পালেহি, তেতিয়া তংখুল-চৰ্দাৰ খাম্বাই উ তুঙক সুধিলে, "কামখিনি সুকলমে হ'লনে ?"

উ তুঙে ক'লে, "আপোনাৰ আশীৰ্বাদত কামখিনি সুকলমেই হৈ গ'ল।"

"পৰহি আবেলিমানে নাও সজাৰ

বিৰিথ পৰাৰ দৰে বিৰাট শব্দ উঠিছিল ; উপজি পুৰাতেহে সেই শব্দ বন্ধ হ'ল।"

পাছদিনা, চৰ্দাৰ খাম্বাৰ নিৰ্দেশ মতে উ তুং শতাব্দিকা ফুল দ'মাই থোৱা ঠাইলৈ গৈছিল আৰু তাৰপৰা ফুলখিনি লৈ সাগৰতীৰলৈ গৈছিল। তেতিয়া উ তুঙৰ ভনীয়েক লিজানাও পাইছিলগৈ সেই ঠাই। তাত নাওখন সাজু হৈয়েই আছিল। চৰ্দাৰ খাম্বাই সেই শতাব্দিকা ফুলৰ দ'মটোলৈ বিস্ময়ভৰা দৃষ্টিৰে চালে। শতাব্দিকাৰ সুৰভিত সুগন্ধৰে ঠাইডোখৰ আমোল-মোলাই গ'ল।

বসতিৰ ভালেমান মানুহো তলৈ আহিছিল। নাওখন সিহঁতে সাগৰৰ পাৰলৈ কঢ়িয়াই আনিছিল, সিহঁত সাগৰৰ পানীৰ কায পালেগৈ। ফুলৰ দ'মটো নাৰত উঠাই দিয়া হ'ল। ফুলৰ মধুৰ মধুৰ গোন্ধেৰে সেই ঠাইডোখৰ আমোল-মোলাই গৈছিল। উ তুঙে তংখুল-চৰ্দাৰৰ ভৰি ছুই প্ৰণাম কৰিলে। চৰ্দাৰ খাম্বই অতি মৰমৰে উ তুঙক ক'লে, "উ তুং, এই কাৰ্য্যত তোমাৰ বিজয় অৱশ্যেই হ'ব। আমাৰ কুলদেৱতাৰ কৃপাৰে তোমাৰ সাফল্য নিশ্চিত। তুমি নিশ্চয়েই বিজয়ী হৈ উভতি আহিবা।"

নিজেই কাষতে থিয় হৈ থকা উ তুঙৰ

কামটোও হৈ যাব। পাছদিনাই— আগবেলাতে আমি সাগৰপাৰলৈ যাম।"

চৰ্দাৰ খাম্বাৰ কথাৰ উত্তৰত উ তুঙে 'ওঁ' বুলি কৈ, তাৰ লগৰীয়া ছজনৰে সৈতে ঘৰ এটাত শুলেগৈ। তাৰু—চৰ্দাৰে— আন কিছুমানক লগত লৈ সমুদ্ৰী-ৰাক্ষসৰ আবিৰ্ভাৱৰ আশংকাৰে কটকটীয়াকৈ সেই ঘৰটো পৰ দি থাকিল। চৰ্দাৰে সেই ঘৰটোৰপৰা বহু দূৰতো প্ৰহৰী নিযুক্ত কৰিলে সমুদ্ৰী-ৰাক্ষসৰ আগমনৰ ভয়ত।

ৰাতি পুৱাল। পৰীয়াহঁতৰ মাজত এজনে ক'লেহি, "সমুদ্ৰী-ৰাক্ষস এইফালে নাহিল। কিন্তু—বহু দূৰত ক'ৰবাত গছ-

মেয়ো জল্‌দিকৈয়েই উভতি আহিম—কথা দিলোঁ।"

তাৰ পাছত উ তুং নাৱত উঠি বহিল আৰু সি বঠা হাতত ল'লে।

কেইজনমানে নাওখন সাগৰৰ অলপ দ' পানীলৈ ঠেলি পঠালে আৰু লগে লগে—ঢৌৰ তালে তালে নাওখন দুলিবলৈ ধৰিলে। সমুদ্ৰৰ পাৰত থিয় হৈ থকাইঁতে হাত জোকাৰি জোকাৰি উ তুঙলৈ বিদায় অভিনন্দন জ্ঞাপন কৰিলে। এইবাৰ নাওখনে দ্ৰুততাৰে গতি ল'লে।

যিমান সময়লৈকে নাওখন দেখা গ'ল, পাৰত থকাখিনিয়ে হাত জোকাৰিয়েই থাকিল। তাৰ পাছত—এসময়ত নাওখন এটা সৰু বিন্দুৰ দৰে হৈ পৰিল আৰু কিছু সময়ৰ অন্তত একেবাৰেই যেতিয়া নেদেখা হ'ল, তেতিয়া তংখুল-চৰ্দাৰ গম্ভীৰ খাম্বাই যেনিবা বেদনা-গধুৰ মনেৰে খোজ ল'লে, আৰু আন সকলোটিয়েও চৰ্দাৰৰ খোজত খোজ মিলালে।

চৰ্দাৰে উচুপি উচুপি গৈ থকা লিজানাজনীক সান্ত্বনা দিলে।

গৈ থাকোঁতে বাটত তংখুলইঁতে এক অদ্ভুত দৃশ্য দেখা পালে। বিস্তীৰ্ণ অঞ্চল জুৰি ইমানকাল ধৰি মূৰ দাঙি থিয় হৈ থকা বিৰাট-বিশাল গছবোৰ আৰু

ভনীয়েক লিজানাই উ তুঙক ক'লে, "ককাইদেউ, তুমি জল্‌দি জল্‌দি ফিৰি আহিবা কিন্তু, মই তোমাৰ বাট চাই বৈ থাকিম।" এই কথা কোৱাৰ অন্তত লিজানাই উ তুঙৰ হাতত শকত টোপোলা এটা দিলে। টোপোলাটোত আছিল বিধেবিধ খোৱাবস্তু। তাই পুনৰ ক'লে' "ভোক লাগিলে এইখিনিৰপৰা যি মন যায় খাবা।"

টোপোলাটো লৈ উ তুঙে তাৰ ভনীয়েক লিজানাক ক'লে, "শুনা, ভনীটি, আমাৰ ৰাজকুঁৱৰীয়ে তোমাক চোৱা-মেলা কৰিব যে সেই কথাত সন্দেহ নাই।

অজস্র ঘৰ-দুৱাৰ আৰু মানুহবোৰো—তাত আৰু নাই। যেনিবা কোনোবা এক জাদুস্পৰ্শই হাজাৰ-বিজাৰ গছ-বিৰিখক নিমিষতে নোহোৰা কৰি ঠাইডোখৰ নিকাকৈ মচি পেলাইছেহে!

এই কাম যে সমুদ্ৰী-ৰাক্ষসৰ কাম—সেই কথাটো তংখুলইঁতে উপলব্ধি কৰিলে, আৰু উপলব্ধি কৰিলে সমুদ্ৰী-ৰাক্ষসৰ ভয়াবহতাক। কিন্তু তথাপি--উ তুঙৰ সাহসৰ তথা বীৰতাৰ আগত যে সমুদ্ৰী-ৰাক্ষস তিষ্ঠিব নোৱাৰিব—সেই কথাটোও সিহঁতে মনে-চিতে উপলব্ধি কৰিলে।

গৈ গৈ যেতিয়া ৰাতি হ'ল, তেতিয়া সমুদ্ৰী-ৰাক্ষস কৰবাৰপৰা হঠাৎ ওলাবহি পাৰে বুলি ভাবি সিহঁতে খৰকৈ খোজ দিবলৈ ধৰিলে। অলপ পাছত সিহঁত অৰণ্যৰ ভিতৰলৈ সোমাবলগা হ'ল। সিহঁতে অৰণ্যৰ মাজেদিয়েই মাণিক্যপুৰীৰ ৰাজধানীলৈ যাব লাগিব। ইপিনে—আকাশখনক ক'লীয়া ভাৱৰে ছাটি ধৰিছে আৰু তাৰ ফলত নিৰ্মজ্জ অন্ধকাৰৰ আঁৰপট নামি আহিছে। তেতিয়া—বাধ্যত পৰি সিহঁতে এঠাইত ৰাতি পুৱাৰ অপেক্ষাত বৈ থাকিবলগা হ'ল।

তাৰ পাছত—যেতিয়া সেই উৰাই ৰাতি পুৱাই গ'ল—পূবে যেতিয়া ধলফাট দিলে—তেতিয়া দুগুণ উছাহৰে গৈ থাকি সিহঁতে মাণিক্যপুৰীৰ ৰাজধানী পালেগৈ।

ৰাজধানী পায়েই সিহঁত ৰাজভৱনলৈ গ'ল। ৰাজভৱনৰ প্ৰধান প্ৰহৰীয়ে ৰজা প্ৰতাপবৰ্মাদেৱক এই খবৰটো দিলেগৈ। ৰজাই তেতিয়া তেওঁৰ সেনাধিপতি গম্ভীৰ-সিংহৰ সৈতে সমুদ্ৰী-ৰাক্ষসৰ বিষয়েই আলোচনা-বিলোচনা কৰি আছিল। প্ৰহৰী-প্ৰধানৰ মুখে তংখুলইঁত তালৈ অহাৰ কথা শুনিয়েই ৰজা প্ৰতাপ ৰাজভৱনৰপৰা ওলাই আহিল। [আগলৈ

বৈদান্তিকা

বিদ্যাপুৰৰ শ্বেতাম্বৰ পণ্ডিত আছিল বিৰাট বৈদান্তিক পণ্ডিত। বেদান্ত-সম্পৰ্কিত বিশেষ সমস্যাসমূহৰ বিষয়ে টীকাৰে সৈতে তেওঁ এখন বিৰাট গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থৰ বিশেষ বিশেষ কিছুমান কথা আনকি ডাঙৰ ডাঙৰ পণ্ডিতৰো অবোধ্য হৈ থাকিল।

শংকৰশাস্ত্ৰীয়ে এই গ্ৰন্থখনৰ আলোচনাৰে এখন গ্ৰন্থ লিখি থাকোঁতে কিছুমান অমীমাংসিত প্ৰশ্নৰ তথা সন্দেহৰ সম্মুখীন হ'ল। সন্দেহ নিৰসনকাৰী কাকো বিচাৰিও পোৱা নগ'ল।

শুনি শংকৰশাস্ত্ৰীৰ ধৰ্মপত্নীয়ে স্বামীদেৱতাক ক'লে, "বৈদান্তিক শ্বেতাম্বৰ পণ্ডিতৰ পৰিবাৰ এতিয়াও জীয়াই আছে। তেওঁ শ্বেতাম্বৰ পণ্ডিতৰপৰা নিশ্চয় ভালেখিনি জ্ঞান পাইছে। গতিকে —তেওঁ হয়তো এই বিষয়ে কিছু সমাধান দিব পাৰিব।"

শংকৰশাস্ত্ৰী শ্বেতাম্বৰৰ বিধৱা পত্নীৰ ওচৰলৈ গ'ল আৰু ক'লে, "আপোনাৰ পৰলোকগত পতি-দেৱতাৰ ৰচিত বেদান্ত-সম্পৰ্কীয় গ্ৰন্থৰ কিছুমান প্ৰশ্নৰ মীমাংসা কৰিব নোৱাৰি এই বিষয়ে সহায়ৰ বাবে আপোনাৰ কাষ চাপিছোঁ ! আপুনি কিছুখিনি সমাধান দিব পাৰিব নিশ্চয় ?"

এই কথাৰ উত্তৰত শ্বেতাম্বৰ-পৰিবাৰে ক'লে, "বোপা, মই মোৰ সমগ্ৰ জীৱনকাল তেওঁৰ সেৱা কৰি কটালোঁ, আচাৰ-আচৰণ বুজি পোৱাৰ প্ৰয়াসত কটালোঁ। গতিকে—মই তেওঁৰ ৰচিত গ্ৰন্থৰ বিষয়ে যে একোৱেই জানিবলৈ পোৱা নাই—সেই কথা আৰু বুজাই ক'ব লাগিবনে ?"

শুনি শংকৰশাস্ত্ৰী ভেবা লাগিল আৰু তেওঁৰ মুখৰ মাত হৰিল।



মূৰ্খতাৰ মাছুল

তথাপি প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য নদমিল। তেওঁৰ পুনৰ সেই ডালৰপৰা মৃতদেহটো নমাই আনি, কান্ধৰ ওপৰত পথালিকৈ পেলাই লৈ, আউসীৰ ঘোপ মৰা এন্ধাৰৰ মাজেদি পুনৰ ভূত-প্ৰেতৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা! জানি থোৱা, কিছু কিছু পৰিস্থিতিত প্ৰতিজ্ঞা পূৰণ অসম্ভৱ। সঞ্জয় নামৰ এগৰাকী কবিৰো তেনেকুৱা অৱস্থা হৈছিল। সঞ্জয়ে সমাজৰ তথাকথিত ধনী-মানী লোকৰ কাৰণে কদাপি কবিতা নিলিখিব বুলি প্ৰতিজ্ঞা কৰিও শেহান্তৰত এগৰাকী মহাধনী ৰজাৰ বশ হৈ, কেনেকৈ মূৰ্খতাৰ মাছুল ভৰিছিল, সেই কাহিনী মই আজি তোমাক ক'ম। ধৈৰ্য্য ধৰি শুনা।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'



তেতিয়াৰকালৰ কুন্দনদেশৰ ৰজা আছিল ৰবিচন্দ্ৰ। তেওঁ য'লৈকে গৈছিল, অতি সাধাৰণশ্ৰেণীৰ মানুহৰ সৈতে মিলি যাব পাৰিছিল আৰু তেওঁক কোনোবাই আনকি গালি পাৰিলেও তেওঁ বেয়া নাপাইছিল—ইমানেই দিল-খোলা--দিলদৰিয়া ৰজা আছিল কুন্দনদেশৰ ৰবিচন্দ্ৰ ৰায়।

কবি সঞ্জয়য়ো আছিল কুন্দনদেশৰে কবি। সঞ্জয় কেৱল কবিয়েই নাছিল, সঞ্জয় আছিল বাক্-চাতুৰ্য্যতো পটু। তেওঁৰ বাক্-চাতুৰ্য্য তথা কুটি-কথা শুনি ল'ৰা-বুঢ়া সকলো মোহিত হৈছিল।

এবাৰ ৰাজস্থানৰ কবি শ্বেতকেতু হঠাৎ এদিন কবি সঞ্জয়ৰ গাঁৱলৈ উপস্থিত হ'ল আৰু তাত তেওঁৰ কুলদীপ নামৰ ধনৱান লোক এজনৰ তাত আতিথ্য গ্ৰহণ কৰিলে। কথা-প্ৰসংগত কুলদীপে কবি শ্বেতকেতুৰ ওচৰত কবি সঞ্জয়ৰ শলাগ ল'লে আৰু মন্তব্য কৰিলে যে এনেহেন জন্ম-কবি কোনো দেশতে বৰ বেছি সংখ্যাত জনম নলয়।

পাছদিনা কবি শ্বেতকেতু কবি সঞ্জয়ৰ ঘৰলৈ গ'ল আৰু আত্ম-পৰিচয় প্ৰদান কৰি সঞ্জয়ৰপৰা কবিতা শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰাত। সঞ্জয় হাঁহি মাৰি ক'লে, "কুলদীপৰ কথাত ভাল ৈগ তৎ-বুদ্ধি হেৰুৱাব নালাগে। কথা হ'ল—মণিকণ্ঠ হ'ল তেওঁৰ পৰম শত্ৰু। এই মণিকণ্ঠক উপহাস কৰি মই কিছুমান পদ্য কুলদীপক লিখি দিছিলোঁ—যিবোৰ পঢ়ি কুলদীপে, আৰু আনকি ৰাইজেও মণিকণ্ঠক ব্যংগ-বিদ্ৰূপ কৰিছে। কুলদীপে মোলৈ শলাগৰ শৰাই আগ বঢ়োৱাৰ এয়ে হ'ল গুৰিকথা। গতিকে—যেতিয়ালৈকে তেওঁক লৈ ধেমেলীয়া-খুহুতীয়া পদ্য কিছুমান মই নিলিখিম, তেতিয়ালৈকেহে তেওঁ কুলদীপে মোক আদৰ-সাদৰ কৰি থাকিব।"

এই কথা শুনি কবি শ্বেতকেতুৱেও

হাঁহিলে আৰু ক'লে, "আচলতে কুল-দীপলৈ আপোনাৰ অপাৰ মৰম। তেওঁৰ সম্পৰ্কে আপুনি যিবোৰ কবিতা লিখিলে—মই ইতিমধ্যেই পাঠ কৰিলোঁ। সেই কবিতাসমূহত আপুনি তেওঁৰ তাৰিফহে (প্ৰশংসা) কৰিছে।"

"আচল কথা হ'ল—মোৰ তেতিয়া জেপ-উদি, পইচাৰ বৰ দৰকাৰ আছিল। এনেয়েনো কোনে দিব? আৰু—কবিতাক ধৰাইতো কোদালত ধৰিব নোৱাৰোঁ। গতিকে — কবিতাৰে সিদ্ধি-খাদ্ধি সোমালোঁগৈ কুলদীপৰ পেটত।"

"কিন্তু আপোনাৰ ৰচিত কুলদীপ-সম্পৰ্কীয় কবিতাসমূহ অসামান্য। আমাৰ মহাৰাজ ৰবিচন্দ্ৰৰ নামত যদি এনেহেন কবিতা ৰচিব পাৰে, আপুনি যি ধন-সোণ—মাননীস্বৰূপে পাব, তাৰে সমগ্ৰ জীৱনকাল ধৰি পৰম সুখেৰে কাব্যচৰ্চা কৰিব পাৰিব।" কবি শ্বেতকেতুৰে ক'লে।

সঞ্জয়ে কিঞ্চিত ক্ষুব্ধ কণ্ঠেৰে ক'লে, "মহাশয়, ধনৰ কাৰণে মনৰ ইচ্ছাৰ বিৰুদ্ধেও আৰ-তাৰ নামত কবিতা নিলিখা নহয়, লিখিছোঁ; কিন্তু মহান ৰজা ৰবি-চন্দ্ৰৰ বিষয়ে অক্ষম হাতেৰে লিখি তেওঁক মই অপমান কৰিব নোৱাৰোঁ।"

এই কথাৰ কোনো উত্তৰ নিদিয়া-



কৈয়েই শ্বেতকেতু তাৰপৰা গুচি গ'ল। কুন্দনদেশৰ ৰাজধানীলৈ গৈ কবি শ্বেত-কেতুৱে মহাৰাজ ৰবিচন্দ্ৰক সঞ্জয়ৰ বিষয়ে বিশেষভাবে ক'লে।

মহাৰাজ ৰবিচন্দ্ৰও আছিল পৰিহাস-প্ৰিয় ৰজা। তেওঁ সঞ্জয়ক নিমন্ত্ৰণ কৰি অনালে আৰু সঞ্জয়ক ক'লে, "কিছুদিন আমাৰ দৰবাৰত থাকা আৰু তোমাৰ পক্ষে যিমান দূৰ সম্ভৱ মোৰ ইচ্ছা পূৰণ কৰা। তাৰ পাছত, যদি মন যায়, আমাৰ ইয়াতে ৰাজ-কবি হৈ থাকিবা, বা উভতি যাবা।"

সঞ্জয়ে কেইখন্তেকমান ভাবি লৈ মহা-ৰাজক ক'লে, "মই যি কবিতা ৰচিম,



কৰিব নোৱাৰে। গতিকে—যেয়ে যি ৰান্ধে, মহাৰাজে তাকে খায়। আৰু সেইহে মই নিজে ভালকৈ খোৱা-বোৱা কৰাৰ বাবে আন এজন ৰান্ধনিক—কেৱল মোৰ ৰসনা তৃপ্তিৰ বাবে ৰাখিছোঁ' ।"

সঞ্জয়ৰ কথা শুনামাত্ৰেই মহাৰাজে হো হো কৰে হাঁহি উঠিল আৰু সঞ্জয়ক দৰবাৰতে দিলখোলা বাহবা দিলে।

ক্ৰমে, সঞ্জয়ৰ কবিতা আৰু লগতে নিৰ্মল পৰিহাসমূলক কুটি-কথা শুনাৰ বাবে দৰবাৰত শ্ৰোতাৰ সংখ্যা বাঢ়িল।

মহাৰাজ ৰবিচন্দ্ৰৰ চাৰিগৰাকী মন্ত্ৰীৰ মাজত বীৰবৰ আছিল মুখ্য। সকলোটিয়ে কয়: বীৰবৰে "মহাৰাজক যিকোনো কথাতে সৈমান কৰাব পাৰে। এদিন সঞ্জয়ে এইজন বীৰবৰৰ ওপৰত এটি কুটি-কথাৰ কাহিনী দৰবাৰত শুনালে।

এই কাহিনীৰ মতে: কোনোবা এক বিশেষ কথাত বীৰবৰে মহাৰাজক সন্মত কৰালে, যিটো কথা মহৰাজে আচলতে একেবাৰে পছন্দ কৰা নাছিল। কিন্তু পাছত, সেই বিতুষ্টিয়েই যেতিয়া মহাৰাজৰ তুষ্টি বিধান কৰিলে, তেতিয়া তেওঁ বীৰবৰক এযোৰ সোণৰ কঙ্কণ পুৰস্কাৰৰূপে দিলে। বীৰবৰে সেই কঙ্কণযোৰ লোৱাত অসন্মত হ'ল আৰু মহাৰাজক ক'লে

প্ৰথমতে আপোনাক শুনাম।"

"ওহোঁ, অকলে অকলে শুনি মই মুঠেই ভাল নাপাওঁ। মই সপাৰিষদ দৰবাৰত শুনিম।" মহাৰাজে ক'লে।

কেইদিনমানৰ পাছত এদিন সঞ্জয়ে মহাৰাজ ৰবিচন্দ্ৰক ক'লে, "মহাৰাজ, মই আপোনাৰ ৰান্ধনিৰ ৰান্ধনিক দেখিলোঁ। মোৰ ধাৰণা হৈছে, ৰান্ধনিয়ে ৰন্ধা বস্তু চাকি চোৱাৰ পাছত মহাৰাজে যি পায় তাকে খায়। মই আপোনাৰ ৰান্ধনি মানুহজনক এই বিষয়ে সোধাত সি ক'লে, 'ৰাজকাৰ্য্যত গভীৰভাৱে নিমগ্ন হৈ থকা মহাৰাজে কোনো বস্তুৰেই আৰু স্বাদ গ্ৰহণ

যে—তেওঁ সন্তুষ্ট হৈ দিয়েই যদি—কিছু সৰু জোখৰ খাৰুকে দিয়ক। ইমান ডাঙৰ খাৰুযোৰ তেওঁৰ পৰিবাৰৰ হাতত বৰ ঢিলা হ'ব।

"তুমি—তোমাৰ পৰিবাৰক এযোৰ খাৰু গঢ়াই দিব নোৱাৰানে কি? মোৰ প্ৰদত্ত পুৰস্কাৰ গ্ৰহণ কৰাত অস্বীকৃত হোৱাটো কিন্তু তোমাৰ বুদ্ধিহীনতাৰ পৰিচয়।" মহাৰাজে ক'লে।

"মহাৰাজ! আপুনি যাৱৎকাল জীৱিত হৈ থাকিব তাৱৎকাল মই মোৰ পৰিবাৰক লাগিলে সহস্ৰযোৰ খাৰু গঢ়াই দিব পাৰিম। কিন্তু আপোনাৰ এই যে উপহাৰ—এয়া তো মোৰ কাৰণে নহয়, মোৰ পৰিবাৰৰ কাৰণেহে। কিয়নো—আপোনাক মই যি পৰামৰ্শ আগ বঢ়াইছিলোঁ—সেয়া মোৰ পৰিবাৰেহে কৈ দিছিল, মহাৰাজ!"

বীৰবৰ যে তেওঁৰ তিৰোতাৰ অ ঠৰাৰ মহ, দৰবাৰৰ সকলোটিয়েই জানিছিল। গতিকে—সঞ্জয়ৰ কুটিকাখাত সকলোটিয়েই গিৰ্জনি মাৰি হাঁহি উঠিছিল। মহাৰাজ ৰবিচন্দ্ৰয়ো বহু সময় ধৰি হাঁহিলে, হাঁহি হাঁহিয়েই তেওঁৰ পেটত বিষ উঠিল।

এইদৰে, মন্ত্ৰী সুবুদ্ধি, মন্ত্ৰী শিশুপাল আদিৰ বিষয়তো সঞ্জয়ে কিছু কবিতা কিছু কুটি-কথাৰে সকলোকে যথেষ্ট আনন্দ দান কৰিলে আৰু মহাৰাজ ৰবিচন্দ্ৰয়ো

সঞ্জয়ৰ এই ক্ষমতাৰ হিয়াভৰা শলাগ লৈ সঞ্জয়ক প্ৰচুৰ পৰিমাণে পুৰস্কাৰ উপহাৰেৰে আপ্যায়িত কৰিলে।

মন্ত্ৰী শিশুপাল আছিল অতি কোমল স্বভাৱৰ। তেওঁ আছিল নিঃসন্তান। সন্তানপ্ৰাপ্তিৰ আশাৰে পূজা-অৰ্চনা, ব্ৰত-উপবাস—সদায় কৰিছিল ; কিন্তু ফললাভ একোৱেই নহৈছিল। শিশুপাল ইমানেই কোমল অন্তৰৰ আছিল যে—আনৰ দুখৰ কথা শুনামাত্ৰেই তেওঁৰ চুচকু চলচলীয়া হৈ উঠিছিল।

সঞ্জয়ে শিশুপালৰ ক'লে, "এবাৰ মই শিশুপাল মহোদয়ৰ ঘৰলৈ গৈছিলোঁ। তেওঁ তেতিয়া ঘৰত বহি হুৰাওৱাৰে কান্দি আছিল। মোক দেখা পাই তেওঁৰ পৰিবাৰে ক'লে, 'এই কান্দোন শুনি আপুনি দমি নাযাব। তেওঁ বিভিন্নভাৱে আমাৰ সন্তান নথকাৰ খেদ পৰিপূৰণ কৰে। ই-ও সেইবোৰ পদ্ধতিৰ এটাহে।"

এই কথাত মহাৰাজে ইমানেই হাঁহি থাকিল যে—তেওঁ হাঁহি ৰখাব পাৰিবনে নাই—বহুতৰে মনত ভয় হ'ল। মহাৰাজে কথমপি হাঁহি ৰখাই সঞ্জয়ক ক'লে, "তুমি কেনেকৈনো এনেবোৰ কুটি-কথা কল্পনা কৰাহে কবিবৰ ?"

চতুৰ্থ মন্ত্ৰী নৰনীতৰ বয়স অতি কম। সকলোটিয়েই এই কথাটো জানে আৰু মানে যে—আচলতে নৰনীতক মন্ত্ৰী হিচাপে মকৰল কৰাত মহাৰাজৰ কোনো প্ৰয়োজনেই নাছিল। কিন্তু এদিন নৰনীত নামৰ এই সাধাৰণ ৰাজকৰ্মচাৰীজনে মহাৰাজক তেওঁৰ উদ্যানতে বিষাক্ত সাপে খোটাৰপৰা ৰক্ষা কৰাতহে মহাৰাজে সাধাৰণৰো সাধাৰণ ৰাজকৰ্মচাৰীৰ তেওঁৰ প্ৰাণদানকাৰী এই নৰনীতক মন্ত্ৰীৰ পদ দিছিল। মহাৰাজে নিজাকৈ মন্ত্ৰীৰ পদ নৰনীতক দিয়া নাছিল। তেওঁ যেতিয়া নৰনীত 'তোমাক কি লাগে' বুলি সুধিছিল, তেতিয়া নৰনীতেই হেনো মন্ত্ৰীত্ব লাগে

বুলি মহাৰাজক কৈছিল:

এই ঘটনাৰ আলমত সঞ্জয়ে মহাৰাজৰ চতুৰ্থ মন্ত্ৰী নৱনীতৰ বিষয়ে এটি কুটি-কথা সাজিলে: এবাৰ এঠাইত এক সাপ আৰু সোপানৰ, অৰ্থাৎ—সাপ আৰু খটখটীৰ খেল চলি আছিল। খেল দেখুৱাই থকা মানুহজনে খটখটীখন যেতিয়া এজন দৰ্শকৰ ওচৰলৈ লৈ গ'ল আৰু তেওঁক সেই খটখটীত উঠিবলৈ ক'লে, তেতিয়া দৰ্শক মানুহজনে ক'লে, 'ভাই ছাহব, এইখন তো কেৱল খটখটি নহয়, সাপ আছে যে!' শুনি খেল দেখুউৱা মানুহজনে, অৰ্থাৎ—নৱনীতে ক'লে, "হে হে! এই সাপেই হ'ল মোৰ উন্নতিৰ সোপান!"

কিন্তু এইবাৰ সঞ্জয়ৰ কথা শুনা মাত্ৰেই মহাৰাজৰ খং উঠিল আৰু তেওঁৰ ক্ৰুদ্ধ কণ্ঠেৰে সঞ্জয়ক ক'লে, "সৌ সিদিনালৈকে তোমাৰ পৰিহাস অতি নিৰ্মল বুলিহে ভাবিছিলোঁ। কিন্তু—এতিয়াহে বুজিলোঁ যে তুমি আচলতে কিমান নিম্নস্তৰৰ। যিজনক তুমি ভাল নোপোৱা, সিজনক অপমান কৰাত তোমাৰ দেখিছোঁ কোনো পৰোৱাই নাই! তুমি নৱনীতক কি বুলি ভাবিছাহে? নৱনীতৰ মাজত মন্ত্ৰী হোৱাৰ কোনো গুণ নাই বুলিহে ভাবিছানে কি? কেৱল মোৰ প্ৰাণৰক্ষাকাৰী বুলিয়েই



নৱনীতক মই মন্ত্ৰীৰ বাব দিয়া নাই। তাৰ মাজত ঢেৰ গুণ আছে। লাগিলে—মই কেইবাটাও দৃষ্টান্ত দিব পাৰোঁ।"

কিংকৰ্তব্যবিমূঢ় যেন হৈ পৰা সঞ্জয়ে ক'লে, "সেই দৃষ্টান্ত—এই দৰবাৰতে দিব পাৰিবনে, মহাৰাজ?"

মহাৰাজ ৰবিচন্দ্ৰই ব্যংগমিশ্ৰিত কণ্ঠেৰে ক'লে, "সঞ্জয় কবি, তুমি বৰ অল্প বুদ্ধিৰ কৰি। মই যদি সেইবোৰ দৃষ্টান্ত দৰবাৰতে উত্থাপন কৰোঁ, তোমাৰো বদনাম হ'ব আৰু নৱনীতো দুঃখিত হ'ব। কিন্তু—নৱনীতৰ প্ৰতি তুমি যে কিয় কুটিল হৈ উঠিলা, তাৰ ৰহস্য মই ধৰিব পৰা নাই। নৱনীতৰ

সম্পৰ্কে যদি আন বক্তব্য আছে, কোৱা।”

“মহাৰাজ। মোক যেতিয়া অল্পবুদ্ধি কবি বুলি কৈছেই, মই আৰু এইবোৰত নাই। মই মোৰ গাঁৱলৈ উভতি যাম। কিন্তু—যোৱাৰ আগতে—যদি অনুমতি দিয়ে— আপোনাৰ নামত কাব্য এখনি ৰচি যাম।” সঞ্জয়ে ক'লে।

শান্ত হোৱাৰ পাছত মহাৰাজে সঞ্জয়ক তেওঁৰ দৰবাৰতে থাকিবলৈ অনুৰোধ কৰিছিল। কিন্তু সঞ্জয়ে মহাৰাজৰ নামত 'ৰবি-বিলাস' নামৰ কাব্যগ্ৰন্থ লিখাৰ অন্তত নিজৰ গাঁৱলৈ গুচি গৈছিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, “হে ৰাজন্! ধনৰ কাৰণে ধনী-মানীৰ হৈ কোনো কাব্য নৰচিব বুলি প্ৰতিজ্ঞা কৰিও সেই প্ৰতিজ্ঞা ভংগ কৰি সঞ্জয়ে কিয় ৰবিচন্দ্ৰ ৰজাক কাব্যগ্ৰন্থ ৰচি দিছিল? ৰজা ৰবিচন্দ্ৰৰ ক্ৰোধ প্ৰশমিত কৰিবলৈনে ধনলৈ লোভৰ কাৰণে? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি তুমি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, “সঞ্জয় আছিল এজন স্বভাৱ-কবি। প্ৰথমৰ ফালে, মহাৰাজ ৰবিচন্দ্ৰক সঞ্জয়ে গুণগ্ৰাহীসকলৰ মাজত এক ব্যতিক্ৰম বুলি ভাবিছিল। কিন্তু নৱনীতৰ প্ৰসংগত মহাৰাজৰ প্ৰকৃত ৰূপ ফুটি উঠা দেখি সঞ্জয়ে এই গুণগ্ৰাহিতাৰ ভাও জোৰা ৰজাৰ বিষয়ে অতি সাধাৰণস্তৰৰ কাব্যগ্ৰন্থ এখন লিখি দি মূৰ্খৰ সৈতে আজীৱন সহবাসৰপৰা ৰেহাইহে লৈছিল।”

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু শ'টো সেই তাহানিৰ আও পুৰণি গছজোপাৰ প্ৰকাণ্ড ডাল এটাত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

ভাৰতৰ পশু-পক্ষী ঃ

সাৰেং

আমাৰ চৰাইবিলাকৰ পাঁচফুটীয়া ওখ চৰাই হ'ল সাৰেং। সাৰেং চৰাইহঁত আটাইবিলাকেই অৱশ্যে পাঁচফুটীয়া নহয়, সৰুও আছে। এই চৰাই দেখন-দৰ্পণে অতিকৈ ধুনীয়া। ইয়াৰ গোটেই গাটো কপিলা, আৰু পেটৰ তলৰ ভাগ ভাগ ধকধকীয়া বগা, ডেউকা দুখনো শুধ বগা। ডিঙিৰ ওপৰ ভাগ আৰু মূৰ টিকটিকীয়া ৰঙা আৰু দীঘল দীঘল ঠেংবোৰো ৰঙা ৰঙৰ।

বৰবগ-প্ৰজাতিৰ চৰাইৰ মাজত এই চৰাইবোৰৰ মাজত মনুষ্য-ভীতি নিচেই কম। ইহঁত মানুহৰ বাসস্থানৰ ওচৰে-পাঁজৰেই থাকে, আৰু পোক-পৰুৱা পাচলি আদিৰ গুটি আদি খাই জীৱন ধাৰণ কৰে।

ইহঁত সাধাৰণতঃ যোৰ বান্ধি ঘূৰি ফুৰে। ইহঁতৰ পৰস্পৰৰ প্ৰতি প্ৰেম আদৰ্শনীয়। ইহঁতৰ মাজত কোনোবা এটিৰ মৃত্যু হ'লে তাত থকা অন্যবিলাক অত্যন্ত শোকগ্ৰস্ত হয় আৰু উগুল-থুগুল হৈ পৰা দেখা যায়। এই কাৰণে, নৱ-বিবাহিত দৰা-কইনাক 'ক্ৰৌঞ্চ-মিথুনৰ দৰে থাকিবা' বুলি আশীৰ্বাদ কৰা হয়।

এই চৰাইৰ উৰণ অতি ধীৰ। অতি ধীৰে-সুস্থিৰে ইহঁতে আকাশলৈ ইহঁতৰ বিৰাট আহল-বহল ডেউকা মেলি দিয়ে। আকাশলৈ ডেউকা মেলি উৰোঁতে ইহঁতে ইহঁতৰ কণ্ঠৰপৰা বিচিত্ৰ ধ্বনি উলিয়ায়। এই চৰাইবোৰে খৰি ঠাৰি আৰু দীঘল দীঘল ঘাঁহেৰে বাহ সাজে আৰু জুলাইৰপৰা ডিচেম্বাৰ মাহৰ ভিতৰ কণী দিয়ে।

আধুনিক ভাৰতৰ মহান চিত্ৰকাৰ

যামিনী ৰায়

যামিনী ৰায়ৰ বিশেষ শৈলীৰ ৰঙীন চিত্ৰকলা প্ৰথমঃ দেখাতে মুগ্ধ হৈ পৰাৰ বিশিষ্ট চিত্ৰকলা। এই মহান শিল্পীৰ চিত্ৰকলা আমাৰ যেনিবা চিৰ-চিনাকি চিত্ৰ। ভাৰতীয় লোকশৈলী আৰু আধুনিক চিত্ৰাংকণ-পদ্ধতিৰ সংমিশ্ৰণত চিত্ৰিত তেওঁৰ চিত্ৰৰাজি অতুলনীয় সৃষ্টি।

পশ্চিমবংগৰ বাঁকুড়া জিলাৰ বেলিয়াতোড় নামৰ গাঁৱত ১৮৮৭ চনত যামিনী ৰায় জন্মগ্ৰহণ কৰিছিল।

তেতিয়াৰ কালত—পশ্চিমবংগৰ বিভিন্ন ঠাইত, আৰু এইখন বেলিয়াতোড় গাঁৱতো—বাচন-বৰ্তন তৈয়াৰ, পুতলা সজাৰ কাম, ৰাঢ়েৰ কাম, বেৱা-কটাৰ কাম, আৰু বিভিন্ন বস্তুৰ ওপৰত চিত্ৰাংকণৰ কামো দৰিদ্ৰ শ্ৰেণীয়ে কৰিছিল আৰু তেতিয়াৰ নিচেই কুমলীয়া যামিনীয়ে এইবোৰ কামলৈ গভীৰ দৃষ্টিৰে লক্ষ্য কৰিছিল। প্ৰধানতঃ কাপোৰৰ ওপৰত ৰঙেৰে বোলোৱা চিত্ৰাৱলীৰ কামলৈ যামিনী গভীৰভাবে আকৰ্ষিত হৈ উঠিছিল। তেওঁ আনকি আহাৰ-নিদ্ৰা পাহৰি এইবোৰ চিত্ৰশিল্পীৰ কাম-কাজ অনিসন্ধিংসু দৃষ্টিৰে চাই চাই বিমোহিত হৈছিল।

আৰু এনেবোৰ চিত্ৰশিল্পৰ প্ৰবল আকৰ্ষণৰ ফল-স্বৰূপে—সৰুতেই তেওঁ নিজেও এইবোৰ চিত্ৰাংকণ আৰম্ভ কৰিছিল। বালক যামিনীৰ চিত্ৰাংকণৰ প্ৰতি ধাউতি দেখি যামিনীৰ পিতৃদেৱে যামিনীক কলিকতাৰ 'গাভাৰ্নমেণ্ট স্কুল অৱ আৰ্ট'ত নাম লগাই দিলে।

তাত প্ৰধানতঃ পাশ্চাত্য অংকণ-শৈলীৰে শিক্ষাদান কৰা হৈছিল। যামিনীয়ে এই পাশ্চাত্য অংকণ-পদ্ধতি পৰিপূৰ্ণভাবেই শিকি ল'লে। সংশ্লিষ্ট সকলোটিয়েই তেওঁৰ শিক্ষাৰ সাফল্যৰ শলাগ ল'লে। কিন্তু তাৰ পৰৱৰ্তী স্তৰতে তেওঁ আৰম্ভ কৰিলে তেওঁৰ নিজস্ব শৈলীৰ চিত্ৰাংকণ।

তেওঁ অতি সাধাৰণ বিষয়বস্তু আৰু সাধাৰণ ৰঙেৰেই অসাধাৰণ চিত্ৰশিল্পৰ সৃষ্টি কৰি থাকিল। এই চিত্ৰসমূহত এক নতুন ধৰণৰ শৈলী সৃষ্ট হোৱা পৰিলক্ষিত হ'ল। তেওঁৰ নিজস্ব শৈলীৰ অসামান্য সৃষ্টিয়ে আপামৰ জনসাধাৰণক চুম্বকৰ দৰে আকৃষ্ট কৰিলে।

যামিনী ৰায়ৰ চিত্ৰকলাৰে ভাৰতৰ অসংখ্য নৱ-চিত্ৰকাৰ প্ৰভাৱিত। নিভাঁজ ভাৰতীয় চিত্ৰকলালৈ আধুনিক ভাৰতৰ নৱ-চিত্ৰকাৰসকলৰ সৃষ্টি আকৰ্ষণৰ যামিনী ৰায়েই হ'ল পথিকৃৎ।

১৯৭২ চনৰ এপ্ৰিল মাহত এই মহান চিত্ৰশিল্পী দেহান্তৰিত হ'ল।

আমি জানো নে?

১. বাংলাদেশ কেতিয়া জন্মলাভ কৰিছিল ?
২. প্ৰাচীনকালত ঝিলম নদীৰ অন্য এটি নামও আছিল। কি ?
৩. দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত জাৰ্মানদেশ (১৯৪৫) পূব আৰু পশ্চিমত বিভক্ত হৈছিল। পুনৰ এক হ'ল। কেতিয়া ?
৪. 'নল সৰোবৰ' নাম পক্ষীৰ অভয়স্থান কোন ৰাষ্ট্ৰত বিদ্যমান ?
৫. 'পবিত্ৰ ৰোমীয় সাম্ৰাজ্য'ত 'পবিত্ৰতাও নাই, সাম্ৰাজ্যও নাই' বুলি কৈ ইয়াৰ বিলুপ্তি কোন গৰাকী নেতাই কৰিছিল ?
৬. 'চিকিম' কেতিয়াৰপৰা আমাৰ দেশৰ ২২তম ৰাজ্য হ'ল ?
৭. সূৰ্য্যতকৈও ২৮ গুণ অধিক উজ্জ্বল নক্ষত্ৰৰ নাম ?
৮. আমাৰ সংবিধান মতে আমাৰ জাতীয় ভাষা কিমান ?
৯. প্ৰাচীন গ্ৰিক ক্ৰীড়া আৰু আধুনিক অ'লিম্পিক-ক্ৰীড়াৰ মাজত ২৫০০ বছৰৰ ব্যৱধান। প্ৰথম আধুনিক অ'লিম্পিক কেতিয়া পতা হৈছিল ?
১০. 'শূন্য'ক অংক হিচাপে প্ৰয়োগকাৰী প্ৰথম ভাৰতীয় গণিতশাস্ত্ৰজ্ঞ কোন ?
১১. চিকিৎসাক্ষেত্ৰত অধিকভাৱে ব্যৱহৃত গছৰ নাম কি ?
১২. পৃথিৱীত সৰাতোকৈ সৰু ৰাজ্য কোনখন ?
১৩. পল্লৱ ৰজাৰ দ্বাৰা নিৰ্মিত সুপ্ৰসিদ্ধ মন্দিৰৰ নাম ?
১৪. ১৩,০০০ দ্বীপ থকা দেশখনৰ নাম ?
১৫. আজিৰ সুপ্ৰসিদ্ধ পৰমাণু-বিশেষজ্ঞ বিজ্ঞানী ড. ৰামন্না আন এটি বিষয়তো বিশেষজ্ঞ আছিল। কোন বিষয়ত ?

উত্তৰ

১. ১৯৭১ চনৰ ২১ মাৰ্চ।
২. বিতস্তা।
৩. ১৯৯০ চনৰ ৩ অক্টো'বৰ।
৪. গুজৰাট।
৫. নাপলেয়ঁ ব'নাপাৰ্ত (১৮০৬)।
৬. ১৯৭৫ চনত।
৭. ছিৰিউছ।
৮. পোন্ধৰ।
৯. ১৮৯৬।
১০. ব্ৰহ্মগুপ্ত।
১১. নিমগছ।
১২. ভেটিকান নগৰ।
১৩. মহাবলীপুৰমৰ সাগৰপৰীয়া মন্দিৰ।
১৪. ইন্দোনে'জিয়া।
১৫. পিয়ানো-বিজ্ঞান।

আখৰ-শিল্পী

সৰুতে ৰামদাসৰ বৰ মন আছিল—লিখিব পঢ়িব জানিব। কিন্তু মন থাকিলেই যে মনে-খোৱা ছন কৰিব নোৱাৰি, তাৰ দেখ দেখ প্ৰমাণ এই ৰামদাসেই। ৰামদাসৰ দেউতাকে সৰু ৰামদাসক কৈছিল, "খৰিকটীয়াৰ ঘৰত জনমি পঢ়া-লিখাৰ বাবুগিৰি নচলিব, মোৰ লগত হাবিলৈ আজিৰেপৰাই ওলা।"

ওলাইছিল ৰামদাসে। আৰু হৈছিল—সেই খৰিকটীয়াৰ পো খৰিকাটীয়া।

কিন্তু ৰামদাসে তাৰ পুতেক শিৱদাসক খৰিকটীয়াৰ কামত ভৰ্তি নকৰি, এখন পঢ়াশালিত ভৰ্তি কৰি দিলেগৈ। শিৱদাসক সি পঢ়া-লিখাত পাৰ্গত কৰি তুলিবই, নিজৰ সৰুকালৰ ইচ্ছাক সি শিৱদাসৰ মাজেদি ফুলাব।

কিন্তু এদিন শিৱদাসৰ পঢ়াশালিৰ শিক্ষক এগৰাকীয়ে যেতিয়া তাক বাটত পাই ক'লে যে তাৰ পুতেক শিৱৰ পঢ়া-লিখাত একেবাৰে মন নাই—তেতিয়া ৰামদাসে ঘৰলৈ উভতি আহি শিৱদাসক ঘৰতে শুই থকা দেখি তাক ধৰি তাৰ পিঠিত বাবৰি ফুল বাছিলে।

শিৱদাসে তাৰ দেউতাকক ক'লে, "পঢ়া-লিখা নকৰাৰ কাৰণে মোক মাৰি ভৈয়াম কৰিলা, পিছে—তুমি নিজে দেখোন আখৰকে চিনি নোপোৱা।"

পুতেকৰ এই কথাই ৰামদাসক বৰ বিমৰ্ষ কৰি তুলিলে। কথাটো সি তাৰ ঘৈণীয়েক ৰাধাক অতি খেদৰে ক'লে।

ৰাধাই তাইৰ গিৰিয়েকক ক'লে, "সৰু ল'ৰা, কাণ্ডজ্ঞান নাই, যি মুখত

বিনন্দ বৰা



আছিল কৈ দিলে। যি হওক, এতিয়া মোৰ কথা মনপুতি শুনা। সৰুতে মোক দেউতাই তিনি-চাৰি শ্ৰেণীমান পঢ়ুৱাইছিল। ছেগা-চোৰোকাকৈ যি শিকিছিলোঁ, মই সেইখিনি তোমাক শিকাই দিম, লাজ-মান কাতি কৰি থৈ শিকা।"

ৰামদাসে আচৰিত মানি ক'লে, "কি কোৱাহে! পঢ়া-লিখা ইমানেই সহজ কামনে? তাকো আকৌ—এই বয়সত!"

"পঢ়া-লিখাৰ কোনো বয়স নাই। আগ্ৰহ থাকিলেই হ'ল।" ৰাধাই তাইৰ গিৰিয়েক ৰামদাসক পঢ়া-লিখা-শিকাৰ ৰাধাপটি-বাট দেখুৱালে।

আৰু সিদিনাৰেপৰাই, ৰাতিৰ পৰতে, ঘৰত পৰি থকা ফলি এখনত ৰাধাই ৰামদাসক আখৰ শিকাবলৈ ধৰিলে।

কিন্তু যেতিয়া পঢ়াৰ ধাউতিতকৈ পেটৰ পোৰণি বেছি হ'ল, তেতিয়া ৰামদাসে এনেকৈ 'পঢ়া-লিখাৰ বাবুগিৰি' এৰিব লাগিব বুলি কৈ দিলে আৰু কুঠাৰখন কান্ধত কৈ হাবিলৈ বুলি খোজ ল'লে।

হাবিলৈ বুলি খোজ লোৱাৰ লগে লগে ৰাধাই ৰামদাসক ক'লে, "শুনা, হাবিত খৰি কাটি কাটি ভাগৰি পৰিবা যেতিয়া, তাত জলপানখিনি খাবলৈ জিৰণি ল'বা যেতিয়া, এই ফলিখন লৈ যোৱা, কোনোবা এজোপা গছৰ গাত কাঠচটটো লগাই লৈ মই লিখি দিয়া আখৰবোৰ চাই চাই আখৰ লিখাৰ অভ্যাস কৰি থাকিবা।"

এদিন সি যেতিয়া হাবিৰ মাজতে গছ এজোপাত আউজি বহি ফলিত আখৰ লিখি আছিল, তেতিয়া সেই বাটেদি এজন ঘোঁৰা-চোৱাৰী গৈ আছিল। ৰামদাসে হাবিত বহি আখৰ লিখনৰ তথা শিকনৰ অভ্যাস কৰা দেখা পাই সেই ঘোঁৰা-চোৱাৰীজন ঘোঁ ৰা ৰ প ৰা নামি আহিল আৰু তেওঁ ৰামদাসক সুধিলে, "তুমি বাৰু—এই অটব্য জংগলত বহি

কি কৰিছা? ইয়ালৈ তুমি খৰি কাটিবলৈ আহিছানে আখৰ শিকিবলৈ?"

ৰামদাসে সেই ঘোঁৰাচোৰাৰীজনক তাৰ পুতেকৰ সেই উক্তিৰ কথা, তাৰ পৰিবাৰ ৰাধাই পঢ়া-লিখাত তাক উৎসাহ দিয়াৰ কথাও মানুহজনক ক'লে।

ঘোঁৰা-চোৰাৰীজনে ৰামদাসক ক'লে, "অতি প্ৰশংসনীয় তোমাৰ এই প্ৰচেষ্টা। এই আগ্ৰহ—বজায় ৰাখিবা।" এই বুলি কৈ, ৰামদাসৰ নাম, তাৰ গাঁৱৰ নাম আদি জানি লৈ ঘোঁৰা-চোৰাৰীজন ঘোঁৰাত উঠি গুচি গ'ল।



এই ঘটনাৰ প্ৰায় পাঁচ-ছমাহৰ পাছত এদিন ৰামদাস যেতিয়া হাবিৰপৰা খৰি লৈ ঘৰলৈ আহিল, তেতিয়া ৰাধাই তাক ক'লে, "সেই যে বহুদিনৰ আগতে কোনোবা এজন ঘোঁৰা-চোৰাৰীয়ে তোমাৰ পঢ়া-লিখালৈ ধাউতি দেখি প্ৰশংসা কৰিছিল আৰু তোমাৰ নাম-ঠিকনা লৈছিল, তেওঁ তোমালৈ কিতাপ-পত্ৰ পঠালে। তুমি লিখা-পঢ়া শিকি জ্ঞানী হ'ব লাগে বুলিও তেওঁ কৈ পঠাইছে।"

তেতিয়াৰপৰা ৰামদাসৰ মাজত বিৰাট এক পৰিবৰ্তন আহিল। আখৰ শিকাৰ তিমানতে অন্ত পৰিছিল, এতিয়াৰপৰা সি আখৰৰ লগত আখৰ মিলাই ভালকৈ শব্দ আৰু বাক্যও পঢ়িবপৰা হ'ল।

তেতিয়া ৰাধাই ক'লে, "এতিয়া কিন্তু মোৰপৰা আৰু কোনো সহায়-তহায় নোপোৱা। মই জনাখিনি তোমাক শিকালোঁৱেই। কাম এটা কৰা। তুমি মামাৰ গাঁৱৰে পণ্ডিত বিষ্ণুশৰ্মাৰ ওচৰলৈ যোৱা। তেওঁ নিশ্চয় সহায় কৰিব।"

এদিন হাবিলৈ খৰি কাটি আনিবলৈ যোৱাৰ লগে লগে গছৰ ডালত বহি থকা কুলি চৰাই এটিৰ মাত শুনি ৰামদাসৰ বৰ ভাল লাগি গ'ল, আৰু সি তাতে বহি— হাবিৰ অনুপম সৌন্দৰ্য্যৰ বিবৰণ, কুলি চৰাইৰ সুমধুৰ মাত, হাবিৰ যত জন্তু-

জানোৱাৰৰ কথা, বনৰ কথা এনেকৈ অকৃত্ৰিমভাবে লিখিলে যে—পঢ়ি পঢ়ি সি নিজেই মোহিত হৈ পৰিল। হাবিৰপৰা খৰি কাটি লৈ ঘৰলৈ উভতি আহিয়েই ৰামদাসে সি লিখা হাবিৰ বিবৰণ ৰাধাক দেখুৱালে। ৰাধাই লিখাখিনিলৈ চাই থাকি ক'লে, "মই তো ইমানখিনি পঢ়িব নাজানো, তুমি পঢ়া, মই শুনো।"

শুনি অবাক মানি ৰাধাই ৰামদাসক সেই লিখাখিনিকে পণ্ডিত বিষ্ণুশৰ্মাক দেখুৱাবলৈ ক'লে।

ৰামদাস বিষ্ণুশৰ্মা পণ্ডিতৰ কাষ লিখা-চাপিল। পণ্ডিত বিষ্ণুশৰ্মাই ৰামদাসৰ খিনিত এবাৰমাত্ৰ চকু ফুৰায়েই ক'লে, "হাৰে! তই দেখোন নলগা তামোলত আঁটি বান্ধিবলৈ ধৰিছি! আখৰ চিনি পায়েই কবি হ'লিনে? হেঁঃ! কবি হ'ব পাৰে কৌটিতে এগুটি-দুগুটিহে। বাদ-বাকীবোৰ 'কপি', বুইছ? 'কপি' মানে—কি বুজিলি? 'কপি' মানে বান্দৰ। তয়ো। এইবোৰ এৰ। কুঠাৰ লৈ জংগললৈ যা, খৰি কাট, খৰি বেচি খা-পি, তাৰেই তোৰ মংগল। যাচোন—যা এতিয়া, মোক দিগ নিদিবি।"

পণ্ডিত বিষ্ণুশৰ্মাৰ কথাত ৰামদাসৰ মৰি যাওঁ মৰি যাওঁ যেনেই লাগিল। সি ৰাধাক কথাখিনি কোৱাত ৰাধাই ক'লে, "শুনা, তুমি যিখিনি লিখিছা, মই কৈছোঁ, বৰ ভাল হৈছে। পণ্ডিতৰ ঈৰ্ষা হ'ল বুলিহে তেনেকৈ কৈছে তোমাক। আগলৈ আৰু সেই পণ্ডিতৰ ওচৰলৈ যাব নালাগে।"

এই ঘটনাৰ কেইদিনমানৰ পাছত দেশৰ ৰজাই ঘোষণা কৰিলে যে—ৰাজধানীত এক ৰাজহুৱা কবি প্ৰতিযোগিতা পতা হৈছে। যেইকোনো মানুহেই নিজৰ নিজৰ কবিতাৰে এই প্ৰতিযোগিতাত যোগ দিব পাৰিব।

ৰাধাই এই কবি-প্ৰতিযোগিতাত ভাগ

ল'বলৈ ৰামদাসক সেই জংলী-কবিতা-টোৰে সৈতে ৰাজধানীলৈ পঠালে।

কবিসকল ইজনৰ পাছত সিজনকৈ মঞ্চোপৰি উঠিল আৰু শ্ৰোতা-ৰাইজক নিজ নিজ কবিতা পাঠ কৰি শুনালে। ৰামদাসও এসময়ত মঞ্চোপৰি উঠিল আৰু সি তাৰ ৰচিত 'মা জংগল' নামৰ কবিতাটো সহস্ৰ ৰাইজৰ আগত পঢ়ি শুনালে। এই কবিতাটিত ফুটি উঠিছিল জংগলৰ গছ-বন চৰাই-চিৰিকতি জন্তু-জানোৱাৰ আদিৰ অতি মৰমলগা চিত্তাকৰ্ষক জীৱন্ত বিবৰণ। বিপুল হৰ্ষধ্বনিৰ মাজত ঘোষণা কৰা হ'ল : কবি ৰামদাসৰ 'মা জংগল' কবিতাটিয়েই এই প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ কবিতা।

ৰামদাসক ৰজাই স্বহস্তে যেতিয়া তাৰ প্ৰাপ্য পুৰস্কাৰ দিবলৈ ধৰিলে, তেতিয়া ৰামদাসে ক'লে, "মহাৰাজ! আজি, মোৰ এনে অভাৰিত আনন্দৰ দিনতো এটি দুখ মোৰ মনত নমচা হৈ থাকি গ'ল।"

"কিহলৈনো দুখ?" ৰজাই সুধিলে।

তেতিয়া ৰামদাসে এদিন হাবিত লগ পোৱা সেই ঘোঁৰা-চোৱাৰীজনৰ কথা মহাৰাজক ক'লে, যিজনে তাক লিখা-পঢ়া শিকাৰ বাবে আনকি কিতাপ-পত্ৰ পঠিয়ায়ো উৎসাহ-উদগণি যোগাইছিল। এই কথা কোৱাৰ অন্তত ৰামদাসে ক'লে, "আজিৰ এই আনন্দৰ দিনত মোৰ সেই পৰম শুভাৰ্থী বন্ধুজনক এবাৰ প্ৰণাম কৰিব পৰাহেঁতেন বৰ ভাল পালোহেঁতেন। কিন্তু—তেওঁ কোন, বা তেওঁৰ ঘৰ ক'ত, একোৱেই মই নাজানো।"

"হে আখৰ-শিল্পী কবি ৰামদাস! সেই ঘোঁৰা-চোৱাৰীজন আছিলোঁ মই। মই দেশৰ অৱস্থাৰ বুজ ল'বলৈ ছদ্মবেশ ধৰি ওলাইছিলোঁ।"

মহাৰাজে এই কথা কোৱাৰ লগে লগেই ৰামদাসে দীঘল দি পৰি মহাৰাজক সাষ্টাংগে প্ৰণাম কৰিলে।

পৰম্পৰা

বীৰভদ্ৰই তেওঁৰ ঘৰৰ পিছফালে কুঁৱা এটি খন্দাব, এই কথা আৰু-তাৰপৰা শুনি কেশৰ বীৰভদ্ৰৰ কাষ চাপিল। কেশৰে বীৰভদ্ৰক ক'লে, "শুনিলোঁ—আপুনি কুঁৱা এটা খন্দাব! কামটো মোক দিলে মোৰো উপকাৰ, আপোনাৰো কামটো হ'ব পৰিষ্কাৰ। মাটিৰ তলত ক'ত পানী পানী আছে, ক ত নাই, মই সহজেই কৈ দিব পাৰোঁ। আমি পুৰুষ-পৰম্পৰাই এই কামত দক্ষতা আৰ্জিছোঁ।"

বীৰভদ্ৰই কেশৰ কথাৰ উত্তৰ দিবলৈ নৌ পাওঁতেই বীৰভদ্ৰৰ ওচৰ-চুবুৰীয়া ৰামসদয়ে কৈ উঠিল, "কথাটো সঁচা, আপুনি কুঁৱা খন্দাবৰ দায়িত্ব কেশৰকে দিয়ক। আপুনি এই গাঁৱত নতুন, কেশৰৰ সম্পৰ্কে হয়তো একোৱেই নাজানে। গতিকে—কেশৰৰ এই ক্ষমতাৰ বিষয়ে আপোনাক জনোৱাটো মই মোৰ কৰ্তব্য বুলি ভাবিহে জনালোঁ।"

বীৰভদ্ৰই বিদ্ৰূপাত্মক কণ্ঠেৰে ক'লে, "ৰামসদয় ডাঙৰীয়া, কেতিয়াবা কেতিয়াবা আমি আমাৰ চকুৰ আগত থকা বস্তুকো ঠিকমতে দেখা নাপাওঁ। তেনেস্থলত—মাটিৰ তলত ক'ত কি আছে বা নাই—কেনেকৈনো দেখা পাম? কিতাপত পঢ়িছোঁ—তান্ত্ৰিকইঁতে বোলে মায়াবী চকুৰে এইবোৰ দেখা পায়। কিন্তু সেইবোৰ মোৰ বিশ্বাস নাই।"

কেশৰে—'আপোনাৰ যি ইচ্ছা' বুলি কৈ, আকৌ এবাৰ বীৰভদ্ৰক সংবুদ্ধি দিয়াৰ ব্যৰ্থ চেষ্টা কৰি গুচি গ'ল।

পাছদিনাই বীৰভদ্ৰই কিছু কুঁৱাখন্দা-

বনুৱা গোটাই-পিটাই লৈ কুঁৱাৰ গাঁত খান্দি উলিওৱাৰ কাম আৰম্ভ কৰি দিলে। সাতদিন ধৰি মাটি খন্দাৰ অন্তত বনুৱাইঁতে বীৰভদ্ৰক ক'লে, "ডাঙৰীয়া, ইমান দ' গাঁত খান্দিলোঁ, তাৰ তলত চটাচটে শিল। এই শিলক ভেদ কৰাৰ ক্ষমতা আমাৰ ন'হব। আমাক আমাৰ পইচা-পাতি দিয়ক, গুচি যাওঁ আমি। ইয়াত পৰি থাকিলে আমাৰ নহ'ব।"

বীৰভদ্ৰই বাধ্যত পৰি বনুৱাইঁতক সিহঁতৰ পাৰিশ্ৰমিক দি বিদায় কৰিলে আৰু ৰামসদয়ক ক'লে, "এতিয়া যে কি কৰিম—ভাবি উলিয়াব পৰা নাই—।"

ৰামসদয়ে সদয় কণ্ঠেৰে ক'লে, "তেতিয়া আপুনি আমাৰ কথা কাণতে নুতুলিলে—। যি হওক, যি লোকচান হ'ল—হ'ল। পাহৰি পেলাওক। মই কেশৱক মাতি আনোগৈ। কামখিনি সুকলমে হৈ যাব।"

খবৰ পাই কেশৱ আহিল। কেশৱে বীৰভদ্ৰৰ ঘৰৰ পিছফাললৈ গৈ তাত থকা গছ-বন আৰু বিশেষকৈ ঘাঁহ পৰীক্ষা কৰিলে, শুঙি চালে, আৰু তাৰ পাছত ঘৰৰ উত্তৰ দিশৰ এঠাইত কোদালেৰে অলপমান মাটি খান্দি মাটিখিনিও পৰীক্ষা কৰিলে আৰু ক'লে, "আপোনাৰ কুঁৱাটো

এইখিনিতে খন্দা হ'ব। মই কাইলৈ আগবেলাতে বনুৱাইঁতক লৈ পুনৰ আহিম আৰু খন্দাৰ কামত ধৰিম।"

একেৰাহে দুইদিন ধৰি খন্দাৰ অন্তত তাৰপৰা ঢোলোকা-ঢোলোকে পানী ওলাল আৰু চাওঁতে কুঁৱা পানীৰে পৰিপূৰ্ণ হৈ পৰিল। এইবাৰ আনন্দিত বীৰভদ্ৰলৈ চাই কেশৱে ক'লে, আগতেই যদি কুঁৱা খন্দাৰ কামটো মোক দিলেহেঁতেন, তেনেহ'লে ইমান নিৰৰ্থক লোকচান আপোনাৰ নহ'লহেঁতেন। আপুনি মোৰ দক্ষতালৈ ভৰসা কৰিব নোৱাৰিলে। এতিয়া চাওক, মই ভৱাতকৈও বহুগুণে অধিক পানী

গলাল। ঠিক আছে, মোৰ প্ৰাপ্যখিনি দিয়ক, মই এতিয়া যামগৈ।”

“কিমান—?”

“সৰ্বমুঠ পাঁচশ টকা দিয়ক।” কেশৰে বীৰভদ্ৰক ক'লে।

“দুদিনত কাম শেষ হ'ল—পাঁচ—শ টকা দিব লাগিব! কিয়?” বিস্মিত বীৰভদ্ৰই কেশৰক সুধিলে।

কেশৰে শান্ত কণ্ঠেৰে ক'লে, “ডাঙৰীয়া, তিনিশ যাব বনুৱাহঁতৰ হাতত, বাকীখিনি মোৰ। এয়া মোৰ দক্ষতাৰ দাম। আপুনি দেখিছেই—মই তান্ত্ৰিকো নহওঁ, জাদুকৰো নহওঁ। কিন্তু এই বিষয়ত বিশেষজ্ঞতা মোৰ আছে।”

বীৰভদ্ৰই কেশৰক বিনা প্ৰতিবাদে তাৰ প্ৰাপ্যখিনি দিলে আৰু বীৰভদ্ৰক নমস্কাৰ কৰি কেশৰ গুচি গ'ল।

ৰামসদয়ে বীৰভদ্ৰ আৰু কেশৰৰ মাজত হৈ থকা কথাখিনি শুনিছিল। ৰামসদয় বীৰভদ্ৰ ঘৰলৈ আহিল আৰু বীৰভদ্ৰক ক'লে, “শুনক, কেশৰে বেছি টকা লোৱা নাই। হিচাপ কৰি চাওক, অদক্ষ পদ্ধতিৰে আপুনি কামটো কৰোৱা-হেঁতেন কিজানি ডেৰ-দুই হেজাৰ টকাকে ভৰিবলগা হ'লহেঁতেন। অদক্ষতাৰ মূল্য বাৰবাৰ, কিন্তু দক্ষতাৰ দাম এবাৰহে দিব লাগে। কেশৰে প্ৰাচীন-পদ্ধতিৰে কাম কৰিব বুলি কোৱাত আপুনি তাৰ ওপৰত নিৰ্ভৰ কৰিব পৰা নাছিল। আধুনিকতাই আপোনাৰ চকুত জলক-তৰক লগাইছিল। কিন্তু—যিয়েই আধুনিক সিয়েই অভ্ৰান্ত, আৰু যিয়েই প্ৰাচীন সিয়েই ভ্ৰান্ত—এয়াও এক কুসংস্কাৰ মাথোন। পুৰুষ-পৰম্পৰাই চলি অহা সকলো কথা কাণুৱেই মিছা নহয়। মোৰ কথা ঠিক হয়নেনহয় কুঁৱা-কাহিনীৰেই তাৰ মূল্যায়ন কৰক।”

ৰামসদয়ৰ এই কথাখিনিৰ সত্যতা বীৰভদ্ৰই গভীৰভাবে অনুধাৰন কৰিছিল।



বীৰ হনুমান

৪০

ৰামচন্দ্ৰৰ ৰাজত্বকালত অযোধ্যাৰ উত্তৰ দিশত গন্ধৰ্বইঁতৰ অত্যাচাৰ চলি থকাত ভৰতক সসৈন্যে গন্ধৰ্ব দমনলৈ প্ৰেৰণ কৰা হ'ল। যদিও যথেষ্ট কষ্ট হ'ল, তথাপি ভৰতে গন্ধৰ্বইঁতক দমন কৰিলে আৰু গন্ধৰ্বইঁতৰ অত্যাচাৰৰপৰা মুক্ত হৈ অযোধ্যাৰ উত্তৰ দিশস্থ প্ৰজাবৰ্গ শান্তিৰে বসবাস কৰিব পাৰিলে।

অযোধ্যাৰ পশ্চিম দিশত লৱণাসুৰ নামৰ প্ৰতাপান্বিত ৰাক্ষসে বিভিন্নভাৱে ধ্বংসাত্মক কাৰ্য্যাত লিপ্ত হৈছিল। ৰামচন্দ্ৰই দিব্যাস্ত্ৰ প্ৰয়োগ কৰি লৱণাসুৰক বধ কৰিবলৈ শত্ৰুঘ্নক পশ্চিম প্ৰান্তলৈ প্ৰেৰণ কৰিলে। তদুপৰি, ৰামচন্দ্ৰই হনুমানক লংকালৈ প্ৰেৰণ কৰি বিভীষণকো মতাই অনালে। শত্ৰুঘ্নই অমিতবিক্ৰমৰে যুদ্ধ কৰি নিজ হস্তে লৱণাসুৰক বধি বিজয় গৰ্বৰে অযোধ্যালৈ উলটিলে।

এদিন ৰামচন্দ্ৰ যেতিয়া ৰাজসভাত সিংহাসনত সমাসীন, তেওঁৰ বাওঁফালে সীতা, আৰু সন্মুখৰ ফালে হনুমান ভৰত লক্ষ্মণ শত্ৰুঘ্ন সুগ্ৰীৱ অংগদ নল নীল জাম্বৱন্ত বিভীষণ বশিষ্ঠ বামদেৱ প্ৰমুখ আসীন হৈ আছিল, ঠিক তেতিয়াই মহৰ্ষি অগস্ত্য তালৈ উপস্থিত হ'ল আৰু ৰামচন্দ্ৰই মুহূৰ্ততে সিংহাসনৰপৰা নামি আহি মহৰ্ষিক প্ৰণাম কৰি অতিথি-সৎকাৰান্তে তেওঁৰ সামগ্ৰিক কুশল-বাৰ্তা সুধিলে।

'শতকণ্ঠ বধ'

বিক্রমী ৰাক্ষসবীৰ শতকণ্ঠৰ কথা কওক।"

শতকণ্ঠ ৰাক্ষসৰ তেতিয়া মহৰ্ষি অগস্ত্যই কথাক'বলৈ ধৰিলে :

"কশ্যপৰ বসু নামৰ এগৰাকী পত্নী আছিল। এক অসুৰ সন্ধ্যাকালত বসু গৰ্ভৱতী হৈছিল আৰু তাৰ ফলত এক বিকৃতদেহী সন্তান ভূমিষ্ঠ হৈছিল। সেই বিকৃতদেহী সন্তানেই হ'ল শতকণ্ঠ। ডাঙৰ হৈ. এই বিকৃতদেহী শতকণ্ঠই ব্ৰহ্মাক ঘোৰ তপস্যাৰে যি বৰ লাভ কৰিলে, তেনেহেন বৰ ব্ৰহ্মাৰপৰা কোনো দেৱতায়ো লভা নাছিল। ব্ৰহ্মাৰ বৰ লাভ কৰাত অপৰাজেয় হৈ উঠিল, আৰু সেইহে সি শতকণ্ঠই তিনিও লোক নিজৰ অধীন কৰাৰ সপোন সাজি থাকিল। হে ৰাম! দহোমুণ্ড ৰাৱণতকৈও ভয়ংকৰ এই ৰাক্ষসকো তুমিয়েই বধ কৰিব লাগিব।"

মহৰ্ষি অগস্ত্য প্ৰস্থান কৰাৰ পাছত ৰামচন্দ্ৰই তেওঁৰ ভাতৃসকক সম্বোধন কৰি ক'লে, "আমি ৰাৱণ কুম্ভকৰ্ণ আদি মহাবলী ৰাক্ষস বীৰসকলক সংহাৰ কৰি পৰিশ্ৰান্ত। গন্ধৰ্বইতক দমন কৰাত ভৰতো শ্ৰান্ত আৰু লৱণাসুৰ-নিধনত শত্ৰুঘ্নও যথেষ্ট ক্লান্ত। এতিয়া প্ৰশ্ন হ'ল—তিক্ত সমুদ্ৰ পাৰ হৈ শতকণ্ঠক সংহাৰ কৰিবলৈ আমি কোন কোন যাম? আমি কেনেকৈ

মহৰ্ষি অগস্ত্যই ৰামচন্দ্ৰক ক'লে, "দুষ্টৰ শাসন আৰু শিষ্টৰ ৰক্ষণাৰ্থে যেতিয়া তুমি উপস্থিত হৈছাহি, আমাৰ কুশল-মংগ লৈ আৰুনো কি লাগিছে? তুমি দহোমুণ্ড ৰাৱণ-সংহাৰ কৰি যথেষ্ট যশ প্ৰাপ্ত হ'লা, কিন্তু এক্ষণে মোৰ কিঞ্চিত কথা মনোযোগৰে শ্ৰৱণ-কৰাঁ। তিক্ত সমুদ্ৰৰ সিপাৰে মায়ানগৰ নামৰ ৰাজ্যত শতকণ্ঠ নামৰ এক অমিতবিক্ৰমী ৰাক্ষস বীৰে তোমাৰ ওপৰত বিজয়লাভ কৰাৰ আকাংক্ষাৰে সাজু হৈ আছে।"

ৰামচন্দ্ৰই বিস্মিত কণ্ঠেৰে সুধিলে, "হে মহৰ্ষি! কৃপা কৰি সেই অমিত-

কি কৰিম কোৱাচোন ?"

কেইমুহূৰ্তমান নিৰৱে অতিক্ৰান্ত হোৱাৰ অন্তত ৰামচন্দ্ৰই হনুমানৰ প্ৰতি দৃষ্টিনিক্ষেপ কৰি ক'লে, "কেৱল তুমি, কেৱল তুমিহে এই কাম কৰিব পাৰিবা, হনুমান। তুমি হ'লা একপাদ ৰুদ্ৰ।"

তেতিয়া হনুমানে ক'লে, "আপোনাৰ আগত ক'ৰবাৰ কোন ৰাক্ষসবীৰনো কোন কুটা? আপুনি মোৰ বাহুত উঠি সেই ৰাক্ষসৰ সৰ্বনাশ সাধন কৰিব পাৰিব।"

ৰামচন্দ্ৰই হনুমানক আলিংগন কৰি ক'লে, "তোমাৰ যি পৰাক্ৰম আছে, সেই পৰাক্ৰমৰ একাংশও জগতত কাৰো মাজত নাই। দেৱাদিদেৱ শিৱৰ অংশৰপৰাহে তুমি জন্মগ্ৰহণ কৰিলা, হনুমান।"

ৰামচন্দ্ৰই গভীৰভাৱে চিন্তা কৰাৰ অন্তত স্বয়ং শতকণ্ঠ-সংহাৰলৈ ওলাব বুলি স্থিৰ কৰিলে।

ৰামচন্দ্ৰৰ স্থিৰ সংকল্পৰ কথা শুনি সীতাদেৱীও ৰামচন্দ্ৰৰ সৈতে শতকণ্ঠ-সংহাৰলৈ ওলাবলৈ ঠেহ জুৰিলে। লক্ষ্মণ ভৰত শত্ৰুঘ্ন সুগ্ৰীৱ বিভীষণ আদিৰ তো কথাই নাই।

ৰামচন্দ্ৰই তেতিয়া হনুমানক বিচাৰি আছিল। অকস্মাৎ ৰামচন্দ্ৰই দেখা পালে—হনুমান সমগ্ৰ বিশ্ব-চৰাচৰলৈ

ব্যাপ্ত হৈ পৰিছে। হনুমানৰ সম্পূৰ্ণ ৰূপ কোনোৱেই দেখা নাপালে। ভীতি আৰু বিস্ময়ত হনুমানৰ বিশ্ব-বিয়পা ৰূপ দেখা সকল স্তব্ধ হৈ পৰিল।

এইবাৰ হনুমান ভূমিলৈ নত হ'ল। ৰামচন্দ্ৰ আৰু সীতাক হনুমানে স্কন্ধোপৰি দাঙি ল'লে আৰু আন সকলো হনুমানে তেওঁৰ বাহুত উঠি বহিবলৈ ক'লে। আনকি বানৰ আৰু বিভীষণে তেওঁৰ লগত লৈ অহা ৰাক্ষস সেনাইতো হনুমানৰ বাহুৰ ওপৰত উঠি বহিল আৰু হনুমান এক সুবিশাল মেৰুপৰ্বতৰ দৰে আকাশ পথেৰে উৰি উৰি বায়ুৰ গতিৰে গৈ থাকিল।

গৈ গৈ তিক্তসমুদ্ৰ পাৰ হৈ, অৱশেষত ৰামচন্দ্ৰ-সীতা আৰু অন্যান্যৰে সৈতে হনুমানে শতকণ্ঠ ৰাক্ষসৰ বাসভূমি মায়ানগৰ পালেগৈ।

এই মায়ানগৰ চাৰিওফালে আছিল স্বৰ্ণ-প্ৰাচীৰেৰে আগুৰা নগৰ। মায়ানগৰত স্বৰ্ণলংকাত থকাৰ দৰে বিশাল বিশাল উদ্যান আছিল; কিন্তু এই উদ্যানবোৰ ৰাৱণৰজাৰ স্বৰ্ণলংকাৰ উদ্যানতকৈ বহুগুণে সৌন্দৰ্যময়। ৰামচন্দ্ৰই হনুমানক এনেহেন উদ্যান এখনত নামিবলৈ কোৱাত হনুমান তাতেই নামিল।

আৰু ৰামচন্দ্ৰৰ আজ্ঞামতে—সুগ্ৰীৱ অংগদ বিভীষণ প্ৰমুখ মহাবীৰে তৎক্ষণাৎ শতকণ্ঠৰ মায়ানগৰ আক্ৰমণ কৰি ধ্বংস কৰিবলৈ সসৈন্যে ৰাওনা কৰিলে।

বানৰ আৰু ৰাক্ষস সেনাই সম্মিলিত ভাবে শতকণ্ঠৰ দুৰ্ভেদ্য দুৰ্গ আক্ৰমণ কৰিলেগৈ। দুৰ্গৰ চাৰিউফালে আছিল বহল বহল গড়খাৱৈ। হাজাৰ-বিজাৰ শিলৰ চটাবোৰ পেলাই এই গড়খাৱৈ সামান্য সময়তে সমতল কৰি পেলালে, দুৰ্গৰ প্ৰাচীৰবোৰ ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰিলে, আৰু বিশাল বিশাল সুউচ্চ দুৱাৰবোৰ ভূপতিত কৰিবলৈ নেবানেপেৰা চেষ্টা কৰিবলৈ ধৰিলে।

কালকেয় নামৰ ভয়ংকৰ ৰাক্ষসবীৰ আছিল এই দুৰ্ভেদ্য দুৰ্গৰ ৰক্ষক। তেওঁ বানৰ আৰু ৰাক্ষস সেনাই প্ৰাণপণে কৰি থকা এইবোৰ প্ৰচেষ্টালৈ চাই অতি আচৰিত হ'ল। কালকেয় আৰু অন্য বীৰ ৰাক্ষসহঁতে পৰস্পৰৰ মাজত কোৱাকুই কৰি থাকিল: এই দুৰ্ভেদ্য দুৰ্গৰ অধিপতি যে ত্ৰিলোকবিজয়ী বীৰ শতকণ্ঠ, সেই কথা এই বানৰ-ৰাক্ষসহঁতে নিশ্চয় নেজানে। ইহঁতে যে ইয়াৰপৰা জীয়ন্তে আৰু উভতি যাব নোৱাৰে—তাকো নিশ্চয় নেজানে ইহঁতে।"

কিন্তু আৰু বিলম্ব কৰাটো অনুচিত

Sankar



হ'ব বুলি ভাবি কালকেয়ই তেওঁৰ সৈন্য-বাহিনীক ঘূৰাই আক্ৰমণ কৰিবলৈ কঠোৰ আদেশ দিলে।

কালকেয়ৰ সেনাপতি ত্বত শতকণ্ঠৰ সেনাবাহিনীয়ে বানৰ আৰু ৰাক্ষস-সেনাকো কচুকটা দিবলৈ ধৰিলে। বানৰ-সেনা পলায়মান হ'ল। কিন্তু বিভীষণে পলায়মান বানৰসেনাক শৃংখলাৱদ্ধ কৰি কথমপি ৰখালে আৰু কালকেয়ৰ বাহিনীক ঘূৰাই আক্ৰমণ কৰিবলৈ সিইঁতক উদগালে। বানৰ আৰু ৰাক্ষসসেনাই যেতিয়া এক হৈ আক্ৰমণ কৰিলে, তেতিয়া কালকেয়ৰ দুৰ্দ্ধৰ্ষ সেনাইঁতে হোঁহকা দিবলৈ ধৰিলে।

তেতিয়া শতকণ্ঠ শিৱপূজাত মগ্ন আছিল। যুদ্ধৰ হাই-উৰুমি কাণত পৰাত তেওঁ দুৰ্গৰ দ্বাৰপালক সুধিলে, "এয়া কিহৰ কোলাহল?"

দ্বাৰপালে শতকণ্ঠক প্ৰণাম কৰিলে আৰু ক'লে, "প্ৰভু! কোনোবা এটা বান্দৰৰ বাহুত উঠি সাগৰ পাৰ হৈ ক'ৰবাঃ কোন ধুৰুৱীৰপৰা নৰ-ৰজা এটাই আমাক আক্ৰমণ কৰিছে হি। এয়া হ'ল তাৰেই হৈ-চৈ।"

"কি কোৱাহে!" কোনোবা ৰজাই—হওকেই নৰ—বান্দৰৰ বাহুত উঠি আহিছে বুলি শুনিলে তেনেহেন ৰজাক দেখোন সকলোৱে উপলুঙা হে কৰিব। আৰু—আনকি দেৱতা সকলো যিস্থলত মোৰ আগত নত-মস্তক, সিস্থলত তুচ্ছ বানৰ আৰু লংকাৰ বিশ্বাসঘাতী ৰাক্ষসইঁতে আমাৰ কিনো অনিষ্ট কৰিব? ইহঁতমখাৰ এনে মৰ-সাহস হ'ল বা কেনেকৈ?" এই কথা কোৱা সত্বেও শতকণ্ঠ নিষ্ক্ৰিয় হৈ নাথাকিল। তেওঁ ৰণ দিবলৈ ওলাল আৰু স্বয়ং ৰামচন্দ্ৰৰ সম্মুখীন হ'ল।

ৰণসাজেৰে সজ্জিত শতকণ্ঠৰ সংহাৰ-মূৰ্তি দেখি ৰামচন্দ্ৰ স্তম্ভিত হৈ পৰিল।

ৰামচন্দ্ৰৰ স্তম্ভিত অৱস্থালৈ মন কৰি হনুমানে ক'লে, "হে প্ৰভু! শতকণ্ঠক

দেখি আপুনি বিচলিত বোধ কৰিছে কিয় ? আপোনাৰ বীৰত্বৰ প্ৰবাহৰ আগত সি শতকণ্ঠই তৃণৱৎ উটি যাব।" এই বুলি কৈয়েই হনুমানে শতকণ্ঠৰ বুকুলৈ মোক্ষম এক ঘোচা শোধালে।

এই ঘোচা খাই শতকণ্ঠহেন মহাবীৰো ভূতলশায়ী হ'ল। কিন্তু তেওঁ চকুৰ পচাৰ নৌ পৰোঁতেই পুনৰ দণ্ডায়মান হ'ল আৰু হনুমানক ক'লে, "বাঃ! তুমি বাস্তৱিকেই মহাবলী। হে বানৰ, যাৰ ভয়ত ত্ৰিলোক ত্ৰাসিত, তুমি তাকেই ভুকুৱাই বগৰাই পেলালা—এয়া কম কৃতিত্বৰ কথা নহয়। পিছে—তোমাৰ ভুকুৰ সোৱাদ চাকি-লোৱেঁই যেতিয়া—এইবাৰ মোৰ শূলৰ সোৱাদো চাকি চোৱা!" এই বুলি কৈয়েই শতকণ্ঠই বিজুলীৰ গতিৰে হনুমানলৈ ভয়ংকৰ শূলপাট এৰিলে। কিন্তু বীৰ হনুমানে সেই ভয়ানক শূলপাট থাপ মাৰি ধৰি ছুটুকুৰা কৰি পেলালে।

তেতিয়া ক্ষিপ্ত শতকণ্ঠই ভয়াবহ কুঠাৰ খড়্গ যাঠী ত্ৰিশূলাদি বিধোবিধ অস্ত্ৰ দলিয়ালে, আৰু হনুমানেও সেই অস্ত্ৰবোৰ থাপ মাৰি ধৰি-ধৰি খণ্ড-বিখণ্ড কৰিলে।

এইবাৰ স্বয়ং শ্ৰীৰামচন্দ্ৰ তেওঁৰ ধনুৰ্বাণ লৈ শতকণ্ঠৰ সন্মুখীন হ'ল। ৰামচন্দ্ৰৰ লগ লাগি বিভীষণো আগুৱাই আহিল। ৰামচন্দ্ৰই আৰু বিভীষণেও যিবোৰ বাণ মাৰি পঠাইছিল, শতকণ্ঠই সেইবোৰ বাণ খণ্ড-বিখণ্ড কৰি পেলোৱাৰ উপৰিও ৰামচন্দ্ৰ আৰু বিভীষণক লংকালৈ গুৰিয়াই পঠোৱাৰ মনেৰে ভৰি দাঙি এক ভয়ানক গোৰ মাৰিলে।

তেতিয়া হনুমানে তেওঁৰ নেগুৰ-ডালেৰে তিক্ত সমুদ্ৰ পাৰ হৈ উৰি যোৱা ৰামচন্দ্ৰ আৰু বিভীষণক মেৰিয়াই ধৰি পুনৰ ৰণক্ষেত্ৰলৈ আঁজুৰি আনিলে। ৰামচন্দ্ৰ আৰু বিভীষণে সেই মুহূৰ্ততে পুনৰ শতকণ্ঠক আক্ৰমণ কৰিলে।

ইপিনে—বানৰ আৰু ৰাক্ষসসেনায়ো

প্ৰাণপণ যুদ্ধ কৰি আছিল। কিন্তু শতকণ্ঠৰ অপাৰ পৰাক্ৰমলৈ চাই অংগদ নল নীল ৰাক্ষস আদি বানৰ বীৰসকল তাৰপৰা পলাই গৈছিল। ৰামচন্দ্ৰৰ ভায়েক তিনিজনো হুঁহকিল।

অতঃপৰ ৰামচন্দ্ৰই সীতাৰে সৈতে বীৰ হনুমানৰ বাহুত উঠি বহি শতকণ্ঠক বধিবলৈ অগ্ৰসৰ হ'ল।

শতকণ্ঠই ৰামচন্দ্ৰক ক'লে, "মোৰ বিৰুদ্ধে ৰণ দিয়াটো লংকেশ্বৰ ৰাৱণৰ বিৰুদ্ধে ৰণ দিয়াৰ সমান বুলি ভাবিছানে? এটা কথা সোধোঁ—কোৰাচোন—বান্দৰ এটাৰ বাহুত উঠি মোৰ বিৰুদ্ধে ৰণ দিবলৈ ইয়ালৈ আহিলা কিয়?"

এই কথাৰ উত্তৰ ৰামচন্দ্ৰই নৌ দিওঁতেই সীতাই শতকণ্ঠক আক্ৰমণ কৰাত শতকণ্ঠৰ পৌৰুষ আহত হ'ল আৰু তেওঁ তেওঁৰ হাতেৰে দাঙি ধৰা মহাস্ত্ৰ মাটিলৈ দলিয়াই পেলালে।

তেতিয়া সীতাদেৱীয়ে ক'লে, "শ্ৰীৰামচন্দ্ৰ যদি সত্যৱান হয়, মই যদি পতিব্ৰতা হওঁ, তেনেহ'লে এই বাণেৰে শতকণ্ঠৰ যেন মৃত্যু হয়!" এই বুলি কৈয়েই সীতাদেৱীয়ে যি মহাবাণ নিক্ষেপ কৰিলে, তাৰে নিৰস্ত্ৰ শতকণ্ঠ তৎক্ষণাৎ নিহত হ'ল।

ৰামচন্দ্ৰই তৎক্ষণাৎ সীতালৈ হীৰকমালা উপহাৰ দিলে। কিন্তু সেই মহামূল্যৱান হীৰকমালা সীতাদেৱীয়ে বীৰ হনুমানৰ ডিঙিত পিন্ধাই দিলে।

শতকণ্ঠৰ-সংহাৰৰ পাছত ৰজা ৰামচন্দ্ৰৰ ৰাজ্যপালন অতি শৃংখলাপূৰ্ণভাৱে চলিছিল আৰু তেতিয়াৰ অযোধ্যাৰ প্ৰজাবৃন্দৰ দৰে সুখী প্ৰজা ত্ৰিজগতৰ ক'তো নাছিল।

এইবাৰ হনুমানে তেওঁৰ মাতৃ-সন্দৰ্শনৰ বাবে বিয়াকুল হৈ উঠিল। আৰু মাতৃভক্ত হনুমানে ৰামচন্দ্ৰৰ পূৰ্ণ সন্মতি পাই গন্ধমাদন পৰ্বতৰ নিকটস্থ মাতৃ অঞ্জনাদেৱীৰ আবাসলৈ বুলি উৰিল।



বৃক্ষ মহান

ভগৱান বিষ্ণুক দৰ্শন কৰিবৰ মনেৰে, ভূলোক পৰিভ্ৰমণৰ অন্তত, নাৰদ বৈকুণ্ঠলৈ গ'ল। নাৰদক দেখা পাই মহাবিষ্ণুৱে ক'লে, "নাৰদ, তুমি বোধ কৰোঁ এতিয়া ভূলোকৰপৰা আহিলা। ভূলোকৰ সমিচাৰ কি কোৱাচোন শুনো। ভূলোকৰ মানৱ-জীৱন এতিয়া কেনে? তাত সম্পন্ন-সমৃদ্ধ মানৱৰ মাজত দয়া-ধৰ্ম আৰু দৰিদ্ৰসকলৰ বিনয়-নিষ্ঠা অটুট হৈ আছেনে?"

মহাবিষ্ণুৰ প্ৰশ্নৰ উত্তৰত নাৰদমুনিয়ে মৃদুকৈ হাঁহিৰে মহাবিষ্ণুক ক'লে, "আপোনাৰ প্ৰশ্নৰ উত্তৰ পোনে পোনেই দিবলৈ কিয় যে মোৰ মনত অস্বস্তি হৈছে, বুজানাই। যি হওক, আপুনি স্বয়ং এবাৰ ভূলোক ভ্ৰমি আহিলে বৰ ভাল হয়।"

মহাবিষ্ণুৱে নাৰদকো লগত লৈ তেতিয়াই এপাক মাৰি আহিবৰ মনেৰে ভূলোকলৈ গ'ল। তেওঁলোক তীৰ্থযাত্ৰীৰ বেশত ধাৰণ কৰি গ'ল। দুয়ো ভূলোকৰ নগৰ এখন পালেগৈ। অলপমান ঘূৰা-পকা কৰি এটা ডাঙৰ অট্টালিকাৰ দুৱাৰত তীৰ্থযাত্ৰীৰূপী মহাবিষ্ণুৱে খটখটালেগৈ। অট্টালিকাৰ ভিতৰত মানুহ থকাৰ স্পষ্ট প্ৰমাণ আছিল, কিন্তু কোনেও দুৱাৰ নুখুলিলে।

তাৰ পাছত আন এটা অট্টালিকালৈ গ'ল তেওঁলোক। সেই অট্টালিকাৰ ঘাই দুৱাৰ খোলা আছিল। মহাবিষ্ণুৱে গৃহস্থক ক'লে, "আমি তীৰ্থযাত্ৰী। আমি ক্ষুধাৰ্ত আপনালোকৰ আতিথ্য পামনে?"

মহাবিষ্ণুৰ এই কথাৰ উত্তৰত গৃহস্থই ৰঙা ৰঙা চকুৰে চাই ধাম্‌কৈ দুৱাৰখন বন্ধ

বিনোদ ভুঞা



কৰি দিলে। মহাবিষ্ণু অতি হতাশ হ'ল, কিন্তু নাৰদমুনিয়ে মিচিক-মাচাককৈ হাঁহি থাকিল।

যি কি নহওক, মহাবিষ্ণু অন্যান্য ভালেমান ঘৰলৈকো গ'ল। এজন গৃহস্থই ক'লে,"কি ক'লা ? তোমালোক তীৰ্থযাত্ৰী। তাৰেনো আমাৰ কি আহিল-গ'ল ? ইয়াত খোৱা তো দূৰৰে কথা, এমুঠি কেঁচা চাউলো চোবাবলৈ নিদিওঁ !"

আন কিছুমানে ক'লে, "কাম-বন কৰি নোখোৱা কেলেই। মাগি খাবলৈ লাজ নালাগে ?"

এইদৰে গৈ গৈ, অৰুচিকৰ আচাৰ-আচাৰণৰ সম্মুখীন হৈ, অৱশেষত মহাবিষ্ণু আৰু নাৰদ এটা পঁজাঘৰৰ দুৱাৰত ৰ'লগৈ।

ঘৰৰ বাহিৰৰপৰা মাত শুনি ভিতৰৰপৰা বৃদ্ধ মানুহ এজন ওলাই আহি দুজন তীৰ্থযাত্ৰীক ৰৈ থকা দেখা পাই বৃদ্ধই ক'লে, "আহাঁ, আহাঁ, বোপাহঁত—ঘৰৰ ভিতৰলৈ সোমাই আহাঁ। তোমালোকক—বেশ-ভূষাৰে তীৰ্থযাত্ৰী যেন লাগিছে, আমি অৱশ্যে নিচেই দুখীয়া, তথাপি, তোমালোকে যদি আমাৰ অতিথ্য গ্ৰহণ কৰাঁ, বৰ ভাল পাম।"

ভগৱান বিষ্ণু আৰু নাৰদ সেই বৃদ্ধ গৃহস্থৰ পিছে পিছে ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ঘৰৰ ভিতৰত বৃদ্ধা এগৰাকীও আছিল। এই বৃদ্ধা আছিল বৃদ্ধৰ ধৰ্মপত্নী। বৃদ্ধাই হাঁহিমুখেৰে চাৰি পাতি আগন্তুক দুজনক বহিবলৈ দিলে আৰু কুশল-মংগল সোধাৰ পাছত ক'লে, "অলপ পাছত মই ৰান্ধিম, খাই-বৈ যাবা, বা যিকেইদিন মন যায় জিৰাণি ল'বা। পিছে—ৰন্ধা-বঢ়া কৰোঁতে কিছু দেৰি হ'ব, গতিকে—আমাৰ যি আছে তাৰেই অলপ জা-জলপান খাই লোৱা। আমাৰ বাৰীত ছিঁৰাল পকিছে, আৰু আছে অলপমান গাখীৰ, তাকে খোৱা।"

এই বুলি কৈ, বৃদ্ধাই পঁকা ছিঁৰাল

এটা ছিণ্ডি লৈ আহিল আৰু তুয়োকে ফালি আধাখিনিকৈ দিলে। লগতে মাটিৰ বৰ্তনত দিলে গাখীৰ।

এহাল দৰিদ্ৰ বৃদ্ধ-বৃদ্ধাই তেওঁলোকৰ সাধ্যানুসৰি যি আপায়ন কৰিলে, তাৰে বিষ্ণু ভগৱান অতি অতি পৰিতুষ্ট হ'ল। বিষ্ণুৱে বৃদ্ধক সুধিলে, "ককা, আপোনালোকৰ ল'ৰা-ছোৱালী—"

এই কথাৰ উত্তৰত বৃদ্ধই ক'লে, "আমাৰ কোনো সন্তান নাই। আত্মীয়-স্বজনো—ক'বলৈ গ'লে নায়েই।"

তিমানতে আধাখিনি গাখীৰ পি-খাই বিষ্ণুৱে গাখীৰৰ পাত্ৰটো মাটিত থৈ দিছিল। কিন্তু থৈ দিয়াৰ লগে লগে পাত্ৰটো পুনৰ গাখীৰেৰে পূৰ্ণ হৈ পৰিল। ছিঁৰালৰো সেই একেই অৱস্থা। ছিঁৰাল প্ৰায় আটাইখিনিয়েই এই যাত্ৰীজনে খাইছিল, কিন্তু এতিয়া আকৌ আগৰ দৰে হৈ পৰিছিল।

কেৱল ইজনৰ হাততে নহয়, সিজনৰো, অৰ্থাৎ নাৰদমুনিৰ হাতত থকা ছিঁৰালো দেখোন গোটাসজীয়া হৈ আছে! অথচ—সিজনকো বৃদ্ধই দেখিছিল—ছিঁৰালখিনি খাবলৈ।

খোৱাৰ অন্ততো গোটাসজীয়া ছিঁৰাল আৰু পাত্ৰভৰা গাখীৰ দেখা পাই বৃদ্ধৰ



মনত কেনেবা কেনেবা লাগিল। তেওঁ তেওঁৰ বৃদ্ধা পত্নীক ক'লে, "চোৱাঁ, আমাৰ আলহী দুজন সাধাৰণ মানুহ নহয়!"

এইবাৰ বৃদ্ধাই আলহী দুজনৰ ওচৰ চাপি গৈ হাত যোৰ কৰি ক'লে, "বোপাইঁত! তোমালোকনো কোন? নোকোৱা যদি—আমাৰ নিচিনা অগিয়ানে একো বুজি নাপায়। পিছে—তোমালোক যে মহাপুৰুষ, সেই কথাত আমাৰ আৰু সন্দেহ নাই আমাৰ এই দুখীয়াৰো দুখীয়া কুটীৰলৈ আজি আহি আমাক ধন্য কৰিলা বোপাইঁত! যদি কিবা দোষ-ত্ৰুটি হৈছে—নিজগুণে ক্ষমা কৰি দিবা।"

বিষ্ণু ভগৱানে মৃত্যুকৈ হাঁহিৰে ক'লে, "আইতা, আপোনালোকৰ আতিথ্য লাভ কৰি আমি আন্তৰিক কৃতজ্ঞ। এতিয়া কাম এটা কৰক, আমাৰ সৈতে আপোনা-লোকও কুটীৰৰ বাহিৰলৈ আহক।"

বিষ্ণু ভগৱান আৰু নাৰদ—দুয়োজনেই কুটীৰৰপৰা ওলাই আহিল আৰু তেওঁ-লোকৰ পিছে পিছে ওলাই আহিল বৃদ্ধ বৃদ্ধা। আৰু—লগে লগে সেই জীৰ্ণ কুটীৰটো এটি অতি ধুনীয়া অট্টালিকালৈ ৰূপান্তৰিত হৈ পৰিল।

বিস্ময়ত ঠৰ হৈ পৰা বুঢ়া-বুঢ়ীহালক বিষ্ণু ভগৱানে সুধিলে, "এতিয়া কওক, আপোনালোকক কি লাগে?"

"আমি বুঢ়া হ'লোঁ। আমাৰ মাত্ৰ একেটাই আশা, আমি দুয়ো একেলগে মৰণত শৰণ ল'ব পাৰোঁ যেন। আৰু যেতিয়ালৈকে মৰণ নহয়, তেতিয়ালৈকে ভগৱন্তক আৰাধনা তথা পূজা কৰিবলৈ দেৱালয় এখন পাওঁ যদি—আন কোনো বাসনা নাই।" বৃদ্ধই বিষ্ণুক ক'লে।

পাছ মুহূৰ্ততে সেই ঠাইত সুদৃশ্য দেৱালয়ৰ সৃষ্টি হ'ল।

বিষ্ণুৱে সেই বৃদ্ধ দম্পতিক আশীৰ্বাদ কৰি ক'লে, "তোমালোক হ'লা প্ৰকৃত মানৱ। যেতিয়ালৈকে তোমালোক জীৱিত হৈ থাকিবা, তেতিয়ালৈকে সুখে-শান্তিৰে দিনাতিপাত কৰিবা। তোমালোকৰ মৃত্যুৰ অন্ততো তোমালোকে এই স্থানত, দুজোপা বটবৃক্ষৰ ৰূপ ধাৰণ কৰি, এই দেৱালয়ৰ সন্মুখত বিৰাজমান হৈ থাকিবা।"

স্বয়ং বিষ্ণু-প্ৰদত্ত দেৱালয়ৰ পূজাৰী হৈ ভগৱানৰ সেৱা কৰি এদিন বৃদ্ধ-বৃদ্ধাই একেলগেই মৰণত শৰণ লৈছিল, আৰু দুজোপা মহান বটবৃক্ষৰূপে জনম লৈ অগণিত ভক্তৰ প্ৰেৰণাৰূপে সেই দেৱালয়ৰ সন্মুখত বিৰাজ কৰিছিল। এই যুগ্ম বটবৃক্ষ থকা দেৱালয়ৰ অস্তিত্ব আজিও বিদ্যমান।

চান্দমামাৰ সম্বাদ



অৱশেষত মানুহো !

চিৰিয়াখানাত জন্তু-জানোৱাৰ চৰাই-সৰীসৃপ আদিক দেখুউৱা হয়। কিন্তু সাম্প্ৰতে যুগোস্লাভিয়াৰ ৰাজধানী বেলগ্ৰেড নগৰৰ চিৰিয়াখানাৰ পৰিচালক মহোদয়ে অন্যান্য প্ৰাণীক প্ৰদৰ্শনৰ লগে লগে 'মানুহ'কো প্ৰদৰ্শন কৰাৰ আঁচনিও লোৱা হৈছে। কিয়নো, তেওঁৰ মতে, পৃথিৱীৰপৰা বিলুপ্ত হ'ব ধৰা অন্যান্য বহুতো প্ৰাণীৰ মাজত 'মানুহ' হ'ল অন্যতম প্ৰাণী। বেলগ্ৰেডৰ চিৰিয়াখানা কৰ্তৃপক্ষই তাৰ বাতৰি-কাকতবোৰত বিজ্ঞাপন দিছে : আঠ ঘণ্টালৈকে চিৰিয়াখানাৰ সজা এটাত বহি কিতাপ পঢ়া টি ভি চোৱা আদি কাম কৰিবলৈ 'পাৰ্ট টাইম' কাম কৰা কৰ্মচাৰী এজন লাগে। অসংখ্য আবেদন পত্ৰ পোৱা হৈছে চিৰিয়াখানা কৰ্তৃপক্ষই। এই কামৰ বাবে প্ৰথমজন প্ৰাৰ্থী হ'ল এজন বেকাৰ কম্প্যুটাৰ এন্‌জিনিয়াৰ !



আগ বঢ়াৰ নহয়, পিছ হোঁহকাৰ ৰেকৰ্ড

চন্দ্ৰন নামৰ যুৱক এজনে কোয়ম্বাটুৰৰ নেহেৰু ষ্টেডিয়ামত সূৰ্য্যোদয়ৰপৰা সূৰ্য্যাস্তলৈকে মোটামুটি ৮১ কিল'মিটাৰ পিছলৈ খোজ কাঢ়ি এক নতুন ৰেকৰ্ড সৃষ্টি কৰিলে। বাৰ ঘণ্টাত এওঁ সৰ্বমুঠ ৭৬ বাৰ ষ্টেডিয়াম পৰিভ্ৰমণ কৰিছিল। চন্দ্ৰনে পিছ হোঁহকাৰ আজব খেল মাদ্ৰাজ, দিল্লী, কলিকতা আদি নগৰৰ ষ্টেডিয়ামতো খেলিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। চন্দ্ৰন ক্যাৰাটেত 'ব্লাক বেল্ট'ৰ অধিকাৰী। এওঁ প্ৰতিদিন ১০ কিলোমিটাৰ দৌৰে আৰু সপ্তাহত এবাৰ ৫ কিলোমিটাৰ পিছ হোঁহকাৰ অভ্যাস কৰে। কেৰলৰ ত্ৰিচুৰৰ নিবাসী চন্দ্ৰন কোয়ম্বাটুৰত থাকে।

প্ৰথম চুৰি !

অবিশ্বাস্য হ লেও কথাটো সঁচেকাটে সঁচা। পুলিচৰ ৰেকৰ্ডবহীত কোৱা হৈছে যে প্যাচিফিক মহাসমুদ্ৰত থকা 'কুক আয়ল্যাণ্ড' নামৰ সৰু দ্বীপটিত অদ্যাবধি কোনো চুৰিৰ ঘটনা ঘটা নাছিল। পিছে—যোৱা জুলাই মাহত ৰাগেটোগাৰ হোটেল এখনত দুৱাৰ ভাঙি কম এটাত সোমাই ২৪,৭১০ আমেৰিকান ডলাৰ চোৰক হাতে-লুটে ধৰা পেলোৱা হৈছে। কোৱা হৈছে যে—এই দ্বীপত এয়ে 'প্ৰথম চুৰি'! ধলুৱা অনাতাঁৰ কেন্দ্ৰৰপৰা এই বাতৰি সম্প্ৰচাৰ কৰোঁতে কোৱা হৈছে...'অৱশেষত কুক আয়ল্যাণ্ডও অৱশিষ্ট পৃথিৱীৰ সৈতে সন্মিলিত হ'ল... ।' ব্যংগখিনি অনুমেয়।

লিথুৱানিয়া হ'ল এক আদৰ্শ

লিথুৱানিয়া হ'ল বাল্টিক দেশসমূহৰ অন্যতম দেশ। সেই দেশৰ মন্ত্ৰীবৰ্গই ধূমপান সম্পূৰ্ণ-কৈ বৰ্জন কৰিব বুলি ঘোষণা কৰিছে। স্বয়ং শাসনকাৰীয়ে যদি সক্ৰিয় তথা প্ৰত্যক্ষ আদৰ্শ প্ৰদৰ্শন কৰে, জনসাধাৰণে সেই আদৰ্শ উপেক্ষা কৰিব পাৰিবনে ?

হুঁচিয়াৰ জোঁৱাই

গাঁৱৰ ছোৱালী গৌৰীজনীক চহৰীয়া গিৰিয়ে বিয়া কৰালে। গৌৰীৰ মাক কান্তাৰ অভ্যাস আছিল নলগা বস্তুবোৰ কিনি অ'ত ত'ত দমাই থ'ব—সেইবোৰ বস্তু কোনো কামত আহক বা নাহকেই।

শহুৰৰ ঘৰলৈ বুলি ৰাওণা হোৱাৰ আগে আগে কান্তাই তেওঁৰ মৰমৰ ছোৱালীজনীক—অৰ্থাৎ গৌৰীক বুজাই ক'লে যে—সকলো কথাত গিৰিয়েকক সোধ-পোছ কৰাৰ কোনো দৰ্কাৰ নাই। ঘৈণীয়েকইহঁতো যে মানুহ, অধিকভাগ গিৰিয়েকেই সেই কথা নাভাৱে। তেওঁলোকে কেৱল নিজকহে মানুহ বুলি ভাবে—আমি সকলো কামেই তেওঁলোকক সুধি-পুছি-অনুমতি লৈহে কৰিব লাগিব। এনেবোৰ অনিয়ায়—যুগ যুগ ধৰি চলি আহিছে। কিন্তু তই নিজৰ মতেন-খোৱামতে কাম কৰিবি।"

তেতিয়া জোঁৱায়েকে লাম-লাকটুৰবোৰ বন্ধা-কুন্ধা কৰি আছিল। কান্তাই জোঁৱায়েকক ক'লেহি, "চোৱাঁ, তোমাৰ শহুৰ-দেউতাৰটি যাক বোলে আমঠৰো আমঠ—গোঁৱাৰ। তেওঁ কাৰো কোনো চখ থকা সহ্য কৰিব নোৱাৰে। আমাৰ বিয়া হোৱাৰ দিনৰেপৰাই ভাল চাই এচিচা আতৰ কিনি আনিবলৈ কৈ কৈ মিছাৰেই মুখেৰে তেজ বঁতিয়ালোঁ, কিন্তু আজিপধ্যে আতৰ আঁতৰেই হৈ থাকিল। তুমি হ'লা চহৰৰ চহৰীয়া আৰু চহৰত হেনো বিধেবিধ আতৰ পোৱা যায়। তুমি আৰু' যেতিয়া ইয়ালৈ আহিবা, এচিচা গোলাপৰ আতৰ লৈ আহিবা।"

ৰামকৃষ্ণ শৰ্মা

তাৰ পাছত গৌৰীজনীও তাইৰ গিৰিয়েক গিৰিক একেইথিনি কথা ক'লে: "মই বিচৰা কোনো বস্তুৰেই দেউতাই আনি নিদিয়ে। তথাপি আমাৰ মা-ই দেউতাৰ মন যোগাই জীৱন কটালে। আন কোনোবাজনী হোৱা-হেঁতেন কেতিয়াবাই দেউতাক এৰি গুচি গ'লহেঁতেন। আমাৰ মা-ৰ দৰে দুখলগা পাৰিবাৰিক জীৱন—সাত শতৃৰুৰো নহয় যেন—" এই বুলি কৈ গৌৰীয়ে তাইৰ কাপোৰৰ লুচেৰে চকু দুটা মচিলে।

গৌৰী চহৰলৈ আহিল। আৰু—অহাৰ দিনৰেপৰাই গৌৰীয়ে ইটো-সিটো বহুতো লাগতিয়াল-অলাগতিয়াল শাড়ী-কাপোৰ, নানা বাচন-বৰ্তন, আ-অলংকাৰ আদি বস্তু এফালৰপৰা কিনিবলৈ ধৰিলে।

গিৰিয়েক গিৰিয়ে যেতিয়া—"এই বোৰেৰে কি হ'ব"—বুলি ক'লে, তেতিয়া গৌৰীয়ে ক'লে, "মই মোৰ মাৰ দৰে কাৰোবাৰ ভৰিৰ তলুৱাৰ তলত থাকিব নোৱাৰিম। মই মাৰ কথা মতে চলি থাকিম।"

চাওঁতে চাওঁতে দীপাৱলীৰ উছৱৰ দিন চমু চাপিল আৰু গৌৰীজনী তাইৰ মাকলৈ যাবলৈ যাজু হ'ল। গৌৰীয়ে ক'লে, "কালিলৈয়েই মই মাৰ ওচৰলৈ যাম। পিছে—মা-ই যে সেই আতৰৰ কথা কৈছিল যে—আজিয়েই লৈ আহিবা লাগিব কিন্তুক।"

ৰাতি ভালেখিনিমান হ'ল। কিন্তু গিৰিয়েক গিৰি ঘৰলৈ উভতি নাহিল। কথানো কি—? গৌৰী চিন্তাত পৰিল।

তাৰ পাছত—এসময়ত গিৰি আহিল, কিন্তু গিৰিক অত্যন্ত দমি যোৱা যেন লাগিল গৌৰীৰ। গৌৰীয়ে সুধিলে, "কথানো কি? চকু-মুখ ইমান ক'লা পৰিল কিয়? কি হ'ল?"

গিৰিয়ে হুমুনিয়াহ কাঢ়ি ক'লে, বৰ বিষম কাণ্ড এটা হ'ল, তোমাৰ মাৰাই



যে গোলাপৰ আতৰৰ কথা কৈছিল যে—সেই আতৰৰ বাবেই অথন্তৰীয়া ঘটনা এটা ঘটিল। চহৰৰ দোকানে দোকানে ঘূৰি ফুৰিছো সেই গোলাপৰ আতৰ বিচাৰি, কিন্তু ক'তো নাপাওঁ। বহুতো পৰালৈকে বিচাৰিও যেতিয়া গোলাপৰ আতৰ—বা যেইকোনো ধৰণৰ আতৰেই নাপালোঁ, তেতিয়া এঠাইত এজোপা গছৰ তলত এজন দীঘল মোচ থকা মানুহে ঢেৰ ঢেৰ আতৰৰ চিচাৰে সৈতে বহি থকা দেখা পাই এখোজ-দুখোজকৈ তালৈ গ'লোঁ। দেখাত মানুহ-জন বেছ ভদ্ৰ। সি যে আচলতে ফন্দি-বাজ এটা—কেনেকৈ জানিম? যেই কি নহওক—মানুহজনক যেতিয়া গোলাপী আতৰ আছেনে কি বুলি সুধিলোঁ, তেতিয়া মোক সৰু চিচা এটালৈ আঙুলিয়াই ক'লে, 'শুঙি চাওক, কেনে বঢ়িয়া আতৰ'। চিচাটোৰ ঠিলাটো খুলি শুঙি চোৱাৰ লগে লগেই গা ৰাঁই-জাঁই কৰি উঠিল, আৰু তাৰ পাছত মই আৰু একো নাজানো। —যেতিয়া পুনৰ চেতনা ঘূৰাই পালোঁ, তেতিয়া তাত কেৱল সেই গছ-জোপাহে দেখা পালোঁ, মানুহজনক ক'তো-কেনিও দেখা নাপালোঁ।"

"তেনেহ'লে—এতিয়া সেই গোলাপৰ আতৰ ক'ত পোৱা যাব?"

"ভগৱানেহে জানিব—" গৌৰীৰ কথাৰ উত্তৰত গিৰিয়ে ক'লে, কিন্তু—তাতোকৈ ডাঙৰ কথা হ'ল যে—মোৰ জেপৰপৰা সেই মানুহজনে লুকুকি লৈ যোৱা টকা এহেজাৰ এতিয়া ক'ত পাওঁ? আজিয়েই মই দৰমহা পাইছিলোঁ, আজি এই গোলাপৰ আতৰৰ নিচাত পৰি মৰিলোঁ। পিছে—যি গ'ল সি তো আৰু ফিৰি নাহিব। এতিয়া শুনা। টকাখিনি মোক যেনেতেনে লাগেই, আৰু তোমাৰ মাৰাইহে এইখিনি টকা মোক দিব লাগিব। যদি নিদিয়া হয়—তোমাক

তাতেই পেলাই থ'ম, মই আৰু তোমাক ঘৰলৈ নানো।"

শুনি গৌৰী কঁপি উঠিল। যদি সঁচা-কৈয়েই ঘৰলৈ ননা হয়? তেতিয়া সমাজত মুখ উলিয়াব কেনেকৈ?

মাকৰ ঘৰলৈ গৈয়েই, এজোপা তেঁতেলীৰ তললৈ মাকক মাতি নি কথাটো গৌৰীয়ে তাইৰ মাকক বুজাই ক'লে।

লগতে তাই ইয়াকো ক'লে, "তুমি যদি এই টকা এহেজাৰ যেনেতেনে নিদিয়া, মোক কিন্তুক তোমাৰ জোঁৱায়েৰে আৰু নিনিয়ে ইয়াৰপৰা।"

শুনি মাক কান্তাও দমি গ'ল; কিন্তু তথাপি তেও খঙতে কৈ উঠিল, "কোনোবা প্ৰতাৰকৰ হাতত পৰি সি তাৰ টকাখিনি হেৰুৱালে, জগৰ মোৰ গাতহে লাগিলনে? ই-ও কোনো কথা হ'লনে?"

"তোমাৰ কাৰণে গোলাপৰ আতৰ কিনিবলৈহে এনে অথন্তৰীয়া লণ্ড-ভণ্ড-কাণ্ড হ'ল। যি কাণ্ড তোমাৰ কাৰণে তাৰ বাবে দণ্ড মইহে ভুগিমনে? ই-ও কোনো কথা হ'লনে?" গৌৰীয়ে তাইৰ মাকক ঘূৰাই ক'লে।

"মোৰ ওচ'ত এটা ফুটা কড়িও নাই। তোৰ দেউতাৰাক যদি এইবোৰ কথা কওঁ—মোক কেঁচাই খাব।" কান্তাই দমি গৈ জীয়েকক ক'লে!



"কিন্তু টকাখিনি নিদিলে যে কি গতি হ'ব—ভাবি চোৱা।" গৌৰীয়ে কন্দনামুৱা হৈ ক'লে।

তেতিয়া মাক কান্তাই উপায় এটা দিলে। আলমাৰীত এটা বৰ গধুৰ বাকচ আছে। খুব সম্ভৱ বাকচটোত নগদ টকাৰ উপৰিও সোণৰ গহনা-পাতি থাকিব পায়। মই সেই গধুৰ বাকচটো নমাব নোৱাৰিম। গিৰিয়ে নিজেই বাকচটো খুলি নগদে-অলংকাৰে যেনেকৈ যি পাৰে লৈ লওক।"

প্ৰস্তাৱৰ কথা শুনি হতভম্ব হৈ পৰা গিৰিয়ে এই কাম কৰিবলৈ পোনতে দৃঢ়ভাৱে অস্বীকাৰ কৰিও পাছত মান্তি হ'ল আৰু চুৰিৰ কামটো সুকলমেই সম্পন্ন কৰিলে আৰু বাকচটো আগৰ দৰেই পুনৰ আলমাৰীত ভৰাই থ'লে।

পাছত কান্তাই গিৰিয়েক কমলৰপৰা তেওঁৰ গ হ না খি নি বিচাৰিলে নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ। গিৰিয়েক কমলে আলমাৰীত থকা বাকচটোত যেতিয়া গহনা-পাতিখিনি বি চা ৰি নাপালে, তেতিয়া কান্তাই হৈ-হুলস্থুল লগাই দিলে।

কান্তাৰ হৈ-হুলস্থুলত জ্বলা-কলা দেখি অৱশেষত কমলে কান্তাক ক'লে, "শুনা, জঁপিয়াজঁপি কৰি নাথাকিবা। তোমাৰ গহনা-পাতি চুৰি হোৱা নাই যে—তুমিও জানা। মোক এশিকা দিবলৈ তুমি তোমাৰ জোঁৱায়েৰৰ লগত চুক্তি কৰি যি কাণ্ড কৰিলা, তোমাৰ ঢেৰ ঢেৰ আগতে তোমাৰ জোঁৱাৰেৰৰ সৈতে যুক্তি কৰি মইহে সেই নাটকৰ পাতনি তৰিছিলোঁ। তোমাক দাঁতভঙা শিক্ষা দিয়াত তোমাৰ হুঁচিয়াৰ জোঁৱায়েৰে মোৰে সৈতে সহযোগিতা কৰিছিল, আৰু—এয়া লোৱা—তোমাৰ কাৰণে বুঢ়ী বয়সৰ গোলাপী আতৰো লৈ আহিছিল।"



বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

মাছ-ধৰা মোনা

পেলিক্যান নামৰ বগজাতীয় চৰাইৰ মুখ-গহ্বৰ বেছ ডাঙৰ আৰু ইয়াৰ নাকৰ তলৰ ফালে এটি সৰুকৈ মোনা আছে। এই মোনাটো ইয়াৰ মাছ-ধৰা কামৰ বৰ সহায়ক। পেলিক্যান চৰাইৰ প্ৰধান আহাৰ মাছ। পেলিক্যানবিলাকে পানীত সাঁতুৰি সাঁতুৰি সৰু সৰু মাছবিলাকক বাম পানীলৈ খেদি খেদি লৈ যায় আৰু তাৰ পাছত নিজৰ নাকলৈকে পানীৰ ভিতৰত ডুবাই পানীৰে সৈতে সৰু সৰু মাছবিলাকক সেই মোনাৰ ভিতৰত ভৰাই লয়, আৰু পাছত সেই মোনাৰপৰা পানী উলিয়াই পেলাই এটি-দুটিকৈ মাছ মুখৰ ভিতৰত ভৰাই ধীৰে-সুস্থিৰে জুতি লগাই খায়!

'কিল'-কীৰ্তন

ব্লু হোৱেল, বা নীলবৰণীয়া তিমিংগল হ'ল বৰ্তমান প্ৰাণীজগতৰ আটাইতকৈ ডাঙৰ প্ৰাণী। এইবিধ তিমিংগলৰ মুখ-গহ্বৰো বিৰাট আকাৰৰ। কিন্তু ইমান ডাঙৰ তিমিংগলৰ আহাৰ হ'ল সৰু সৰু মাছ। এইবোৰ সৰু মাছৰ নাম হ'ল—'কিল'। 'কিল'বিলাক যেতিয়া সাঁতুৰি সাঁতুৰি যায়, তিমিংগলে পানীৰে সৈতে তাৰ বিৰাট মুখৰ ভিতৰত ভৰাই লয়, আৰু তাৰ পাছত মুখৰপৰা কেৱল পানীখিনি উলিয়াই সোৱাদ সোৱাদ মাছ-খিনি চোবাই চোবাই মজা মাৰি খায়।



বুম্ বুম্!

ওৰাং-উটান্, চিম্পাঞ্জী, গোৰিল্লা (গৰিলা), আৰু গিব্বন হ'ল বানৰ-জাতীয় জন্তু। এই চাৰিবিধৰ জন্তুৱে দুঠেঙৰ ওপৰত থিয় দিব পাৰে। কিন্তু গিব্বনে হুবহু মানুহৰ দৰে পোন হৈ থিয় দিব পাৰে, আন তিনিবিধে কিছু দোঁ খাই থিয় দিয়াৰ উপৰিও তেনেকৈ সামান্য দূৰলৈকে খোজ কাঢ়িবও পাৰে। গিব্বনৰ কণ্ঠস্বৰ অতি উচ্চ ধ্বনিযুক্ত। গিব্বনে যেতিয়া মাতিব খুলি ভাবে, তেতিয়া পোনতে সুহুৰিৰ দৰে শব্দ কৰে আৰু তাৰ পাছত বিৰাট গমগমীয়া বুম্ বুম্ ধ্বনি তাৰ কণ্ঠৰপৰা ওলায়।




Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text,
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
CHANDAMAMA
COLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

M. Natarajan

Phal Singh Girota

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ নৱেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ ছেপটে'মবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাই ওমলাৰ বেলা দ্বিতীয় ফটো : শিকি লওঁ খেলা

বিজয় ঠাকুৰ, পল্টন বজাৰ, গুৱাহাটী-৭৮১ ০০৮

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.


Bakeman's
YOU'LL
DROP
Everything for BAKEMAN'S
MILK DROPS
Bakeman's MILK DROPS
Bakeman's MILK DROPS CHOCOLATE
Bakeman's MILK DROPS VANILLA
R K SWAMY/BBDO BIPL 7264 J

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass